# স্বাধীনোত্তৰ ভাৰতৰ ৰাজনীতি

(উচ্চতৰ মাধ্যমিক দ্বিতীয় বাৰ্ষিক শ্ৰেণীৰ বাবে)

অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদ

ৰাষ্ট্ৰীয় শৈক্ষিক গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদৰ আধাৰত



১৯৪৭ চনত কলকাতা চহৰত পহৰাৰত ট্ৰাকসমূহত হিন্দু আৰু মুছলমান লোকসকলে যুটীয়াভাৱে ভাৰত আৰু পাকিস্তানৰ পতাকা উৰুৱাই সাম্প্ৰদায়িক সংঘৰ্ষৰ অৱসানৰ আভাস দিছিল। এই দুৰ্লভ ফটোখনে স্বাধীনতাৰ ৰং-ৰহইচ বা আনন্দৰ লগতে ভাৰতবৰ্ষ আৰু পাকিস্তানত দেশ বিভাজনৰ শোকৰ প্ৰতিচ্ছবি ধৰি ৰাখিছে।

**এই অধ্যায়ত—**

স্বাধীন ভাৰতবৰ্ষৰ পহিলা বৰ্ষকেইটা বহু ঘাত-প্ৰতিঘাতেৰে ভৰা আছিল। তাৰ ভিতৰত গুৰুত্বপূৰ্ণ আছিল ভাৰতৰ জাতীয় ঐক্য আৰু দেশৰ সংহতি বা অখণ্ডতা। স্বাধীনতাৰ পিছৰ পৰা ৰাজনীতিৰ সূচনাক্ৰমে ১৯৪৭ৰ পৰৱৰ্তী পহিলা দশকটোত প্ৰত্যাহ্বানসমূহৰ তিনিটাৰ ওপৰত গুৰুত্ব দি ৰাষ্ট্ৰ নিৰ্মাণৰ কাম সফলতাৰে হাতত লোৱা হৈছিল।

- স্বাধীনতাৰ লগে লগে দেশ বিভাজন হয়, যাৰ ফলত কেউদিশে সংঘটিত হোৱা ব্যাপক হিংসা-সংঘৰ্ষ আৰু স্থানান্তৰকৰণে ভাৰতবৰ্ষৰ ধৰ্ম নিৰপেক্ষতাৰ প্ৰতিচ্ছবি বা ধাৰণাটোৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰিছিল।
- ক্ষুদ্ৰ ক্ষুদ্ৰ ৰাজ্যসমূহক ভাৰত ৰাষ্ট্ৰৰ সৈতে সংযুক্তিকৰণৰ প্ৰক্ৰিয়া জৰুৰীভাৱে হাতত ল'বলগীয়া হৈছিল।
- বিভিন্ন ভাষা-ভাষী লোকৰ মনৰ প্ৰত্যাশা পূৰণৰ বাবে দেশৰ আভ্যন্তৰীণ সীমাৰেখাবোৰ নতুনকৈ অংকন কৰিবলগীয়া হৈছিল।

— পৰৱৰ্তী দুটা অধ্যায়ত, প্ৰথম অৱস্থাত দেশৰ সন্মুখত আহি পৰা আন ধৰণৰ প্ৰত্যাহ্বানসমূহৰ ওপৰত আলোকপাত কৰা হ'ব।

অধ্যায় ১

# জাতি গঠনৰ প্ৰত্যাহ্বান
# (Challenges of Nation Building)

**নৱ-গঠিত জাতিটোৱে সন্মুখীন হোৱা প্ৰত্যাহ্বানসমূহ ঃ (Challenges for the new nation)**

১৯৪৭ চনৰ ১৪ আৰু ১৫ আগষ্টত ইংৰাজ শাসনাধীন ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰিছিল। ১৪ আগষ্টত পাকিস্তানে আৰু ১৫ আগষ্টৰ মাজনিশা ভাৰতবৰ্ষই স্বাধীন ৰাষ্ট্ৰ হিচাপে আত্মপ্ৰকাশ কৰিছিল। ১৫ আগষ্টৰ মধ্য ৰাতিয়েই স্বাধীন ভাৰতৰ প্ৰথম প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৱে সংবিধান সভাৰ এক বিশেষ অধিৱেশনক সম্বোধন কৰিছিল। স্বপ্ন আৰু দিঠকৰ দোমোজাত দিয়া উক্ত ভাষণত নেহৰুৱে স্বাধীন ভাৰতৰ দিক্‌দৰ্শন কৰিছিল। নেহৰুৰ এই বিখ্যাত ভাষণটিক আমি 'Tryst with Destiny' ভাষণ বুলি জানো।

ভাৰতবৰ্ষৰ স্বাধীনতা ঘোষণা কৰা সেই গৌৰৱময় মুহূৰ্ত কেইটালৈকে কোটি কোটি ভাৰতীয়ই অধীৰ আগ্ৰহেৰে অপেক্ষা কৰি আছিল। ইতিহাসৰ পাঠ্যপুথি অধ্যয়ন কৰি তোমালোকে ইতিমধ্যেই অৱগত হৈছা যে আমাৰ স্বাধীনতা সংগ্ৰামত বিভিন্ন নীতি-আদৰ্শৰ অনুগামী লোকে অংশগ্ৰহণ কৰিছিল। ইয়াৰ ফলত স্বাধীনতা সংগ্ৰামী সকলে সকলো বিষয়ত ঐক্যমতত উপনীত হ'ব পৰা নাছিল। কিন্তু দুটা কথাত প্ৰায় সকলো স্বাধীনতা সংগ্ৰামীয়েই সহমত পোষণ কৰিছিল। প্ৰথমতে, স্বাধীনতাৰ পিছত ভাৰতত গণতান্ত্ৰিক শাসন ব্যৱস্থা প্ৰৱৰ্তন কৰা, আৰু দ্বিতীয়তে স্বাধীন ভাৰতৰ চৰকাৰে সকলো ভাৰতবাসীৰ কল্যাণৰ হকে কাম কৰাৰ লগতে দুখীয়া-নিচলা তথা সামাজিকভাৱে পিছপৰা সম্প্ৰদায়বিলাকৰ মংগলৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা। ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ লগে লগে স্বাধীনতাৰ আশা-আকাংক্ষা তথা প্ৰতিশ্ৰুতিসমূহ পূৰণ কৰাৰ সময় আহি পৰিছিল।

কিন্তু ই বৰ সহজসাধ্য কাম নাছিল। ভাৰতবৰ্ষই এটা অত্যন্ত জটিল সন্ধিক্ষণত স্বাধীনতা লাভ কৰিছিল। সেই সময়ত স্বাধীনতা লাভ কৰা অন্য ৰাষ্ট্ৰসমূহৰ তুলনাত ভাৰতবৰ্ষৰ পৰিস্থিতি তুলনামূলকভাৱে বেছি জটিল আছিল। বহু আকাংক্ষিত বহু প্ৰত্যাশিত আমাৰ এই স্বাধীনতা আহিছিল তীব্ৰ যন্ত্ৰণাদায়ক দেশ-বিভাজনৰ পিছত। দেশ-বিভাজনে ভাৰতত ব্যাপক হত্যা-হিংসা আৰু দেশ-ত্যাগৰ জুই জ্বলাইছিল। অৱশ্যে এনে জঘন্য হিংসা-সন্ত্ৰাসৰ মাজতো আমাৰ দেশৰ নেতাসকলে সদ্যোজাত জাতিটোৱে তৎকালীনভাৱে সন্মুখীন হ'বলগা জটিল সমস্যাসমূহৰ সঠিক অনুধাৱন কৰিবলৈ সক্ষম হৈছিল।



PIB ৰ সৌজন্যত

লালকিল্লাত ভাষণৰত অৱস্থাত প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহেৰু ১৫ আগষ্ট, ১৯৪৭ চন।



# The Hindustan Times

LARGEST CIRCULATION IN NORTHERN, NORTH-WESTERN AND CENTRAL INDIA

VOL. XXIV, NO. 198 NEW DELHI: SATURDAY, JULY 19, 1947. PRICE TWO ANNAS.

## END OF 200-YEAR-OLD BRITISH RULE IN INDIA

### ROYAL ASSENT TO INDEPENDENCE BILL

BRIEF BUT COLOURFUL CEREMONY IN LORDS

### Two Dominions Created

LONDON, July 18.—Precisely at 10-10 a.m. G.M.T. today (4-10 p.m. I.S.T.) the great new Dominions of India and Pakistan were born and the 100,000,000 people of India came into their inheritance of full political freedom, when in the House of Lords, a Royal Commission of Peers with ceremony and ritual dating back to William the Conqueror's time, announced the Royal Assent to the Indian Independence Bill.

KING GEORGE VI

ATTLEE

FREE INDIA FLAG

MESSAGE FROM PREMIER

Provisional Govt. For Burma

ANNOUNCEMENT LIKELY NEXT WEEK

Return Of Bollaert To Viet-Nam Welcomed

CONSTITUENT ASSEMBLY

UNION'S RELATIONSHIP WITH RULERS

PROVISION FOR PROVINCES' JURISDICTION IN STATES

(By Our Special Representative)

Sir Shafaat Ahmed Khan Dead

## তিনিটা প্ৰত্যাহ্বান ঃ (Three Challenges)

স্বাধীনতা লাভ কৰাৰ লগে লগেই ভাৰতবৰ্ষই তিনিটা কঠিন প্ৰত্যাহ্বানৰ সন্মুখীন হৈছিল। ইয়াৰে প্ৰথমটো আছিল জাতি -গঠন প্ৰক্ৰিয়াক কেন্দ্ৰ কৰি। ভাৰতবৰ্ষ এখন বিশাল ৰাষ্ট্ৰ। বহুতো ভৌগোলিক বিচিত্ৰতাৰে পূৰ্ণ ভাৰতবৰ্ষ বিভিন্ন জাতি-উপজাতি, ভাষা-ভাষী তথা বিভিন্ন ধৰ্মাৱলম্বী লোকৰ বাসস্থান। এনে এখন বৈচিত্ৰ্যপূৰ্ণ বিশাল দেশক একতাৰ দোলেৰে বান্ধি ৰখাটো বৰ উজু নহয়। ইতিমধ্যে ধৰ্মৰ ভিত্তিত হৈ যোৱা দেশ-বিভাজনে ভাৰতবাসীক আৰু শংকিত কৰি তুলিছিল। বিচিত্ৰতাৰে ভৰপূৰ এই বিশাল দেশখনে এটা জাতি হিচাপে মূৰ দাঙি উঠিব পাৰিবনে নোৱাৰে তাক লৈ শংকাৰ উদ্ৰেক হৈছিল। জাতীয় ঐক্য সাধন কৰিবলৈ ভাৰতে কোন পন্থা হাতত ল'ব, বা ঐক্যবদ্ধ জাতি গঠনৰ স্বাৰ্থত আঞ্চলিক আৰু উপ-জাতীয় পৰিচয়সমূহক অস্বীকাৰ কৰা হ'ব নেকি আদি এশ এবুৰি প্ৰশ্ন উত্থাপন হৈছিল। অৰ্থাৎ, সেই সময়ৰ আটাইতকৈ জৰুৰী প্ৰশ্নটো আছিল কেনেকৈ ভৌগোলিক ঐক্য সাধন কৰি এক অখণ্ড ভাৰতৰ সৃষ্টি কৰিব পৰা যায়।

> "কাইলৈ আমি বৃটিছৰ দাসত্বৰ পৰা মুক্ত হ'ম। কিন্তু আজি মাজৰাতি ভাৰতবৰ্ষ দুভাগত বিভক্ত হ'ব। কাইলৈ দিনটো আমাৰ বাবে আনন্দৰ আৰু শোকৰ দিন হিচাপে পৰিগণিত হ'ব।"
>
> **মহাত্মাগান্ধী**
> ১৪ আগষ্ট, ১৯৪৭
> কলকাতা

স্বাধীন ভাৰতত গণতান্ত্ৰিক শাসন ব্যৱস্থা প্ৰতিষ্ঠা কৰাটো দেশখনে সন্মুখীন হোৱা দ্বিতীয়টো প্ৰত্যাহ্বান আছিল। তোমালোকে ইতিমধ্যেই ভাৰতীয় সংবিধানৰ বিষয়ে অধ্যয়ন কৰিছাহক। ভাৰতৰ সংবিধানে জাতি-বৰ্ণ-ধৰ্ম-ভাষা-লিংগ নিৰ্বিশেষে সকলো ভাৰতীয় নাগৰিকক ভোটাধিকাৰ প্ৰদান কৰাৰ লগতে সুস্থ জীৱন যাপনৰ অৰ্থে ভালেসংখ্যক মৌলিক অধিকাৰো প্ৰদান কৰিছে। সংসদীয় শাসন ব্যৱস্থাৰ ওপৰত ভিত্তি কৰি ভাৰতত প্ৰতিনিধিত্বমূলক গণতান্ত্ৰিক ব্যৱস্থাৰ প্ৰৱৰ্তন কৰা হৈছে। কিন্তু গণতান্ত্ৰিক ব্যৱস্থা এটা প্ৰতিষ্ঠা কৰিবলৈ গণতান্ত্ৰিক ভাবধাৰাৰে পুষ্ট এখন সংবিধান অত্যন্ত প্ৰয়োজনীয় হলেও যথেষ্ট নহয়। সংবিধানসন্মতভাৱে শাসন কাৰ্য পৰিচালনা কৰাৰ লগতে এক সুস্থ

গণতান্ত্ৰিক প্ৰমূল্যবোধৰ সৃষ্টিয়েহে গণতন্ত্ৰক স্থায়িত্ব প্ৰদান কৰিব পাৰে। সেয়েহে নতুনকৈ সৃষ্টি কৰা সংবিধানখনৰ প্ৰতি জনগণৰ মনত বিশ্বাস তথা আনুগত্য সৃষ্টি কৰা, নাগৰিকসকলৰ মাজত গণতান্ত্ৰিক প্ৰমূল্যবোধৰ সৃষ্টি কৰাৰ লগতে এটা সুদৃঢ় গণতান্ত্ৰিক পৰম্পৰা সৃষ্টি কৰাটো সেই সময়ৰ সবাতোকৈ প্ৰয়োজনীয় বিষয় আছিল।

স্বাধীন ভাৰতবৰ্ষই সন্মুখীন হোৱা তৃতীয়টো প্ৰত্যাহ্বান আছিল চৰকাৰে সমাজৰ সকলো শ্ৰেণীৰ লোকৰে কল্যাণৰ হকে তথা সকলো অঞ্চলৰ সম বিকাশৰ বাবে কাম কৰাটো। ভাৰতৰ সংবিধানে জাতি-বৰ্ণ-ধৰ্ম-ভাষা নিৰ্বিশেষে সকলো ব্যক্তিকে সমমৰ্যাদা প্ৰদান কৰাৰ লগতে সামাজিকভাৱে পিছপৰা ধৰ্মীয় আৰু সাংস্কৃতিক গোষ্ঠীসমূহক বিশেষ সুৰক্ষা প্ৰদান কৰিছে। ইয়াৰোপৰি ৰাষ্ট্ৰ-পৰিচালনাৰ নিৰ্দেশাত্মক নীতিসমূহৰ জৰিয়তে কল্যাণকামী ৰাষ্ট্ৰ প্ৰতিষ্ঠাৰ বাট মুকলি কৰিছে। গতিকে মূল সমস্যাটো আছিল দৰিদ্ৰতা নিৰ্মূল কৰা তথা আৰ্থিক বিকাশৰ বাবে যথোপযুক্ত নীতি নিৰ্ধাৰণ কৰা।

স্বাধীন ভাৰতে উপৰোক্ত প্ৰত্যাহ্বানসমূহৰ সন্মুখীন কেনেকৈ হৈছিল? সংবিধানে নিৰ্ধাৰণ কৰা উদ্দেশ্যসমূহত উপনীত হোৱাত ভাৰত ৰাষ্ট্ৰ কিমান দূৰ সফল হৈছে? এই কিতাপখনে এনে প্ৰশ্নসমূহৰ উত্তৰৰ সন্ধান কৰিছে। কিতাপখনত স্বাধীনোত্তৰ ভাৰতৰ ৰাজনীতিৰ বিষয়ে তোমালোকক সম্যক জ্ঞান দিয়াৰ চেষ্টা কৰা হৈছে— যাতে উপৰি উক্ত প্ৰশ্নসমূহৰ উত্তৰৰ সন্ধান তোমালোকে নিজে কৰিব পাৰা। এই পাঠ্যপুথিখনৰ প্ৰথম তিনিটা অধ্যায়ৰ স্বাধীনতাৰ ঠিক পিছতেই ভাৰত ৰাষ্ট্ৰই কেনে ধৰণে উক্ত প্ৰত্যাহ্বানৰ সমূহৰ সন্মুখীন হৈছিল সেই সম্বন্ধে আলোচনা কৰা হৈছে।




*মই সদায়ে এটা সময় যন্ত্ৰ বিচাৰিছিলো যিটোৱে মোক ১৯৪৭ চনৰ ১৫ আগষ্টৰ স্বাধীনতাৰ উৎসৱত ভাগ ল'বলৈ সুবিধা দিব পাৰে। কিন্তু স্বাধীনতাৰ সেই উৎসৱটো মই ভবাৰ দৰে নাছিল।*

এইটো অধ্যায়ত আমি ভাৰতৰাষ্ট্ৰই সন্মুখীন হোৱা প্ৰথমটো প্ৰত্যাহ্বানৰ বিষয়ে আলোচনা কৰিম। তোমালোকে ইতিমধ্যেই বুজি পাইছা যে স্বাধীন ভাৰতে সন্মুখীন হোৱা প্ৰথমটো প্ৰত্যাহ্বান আছিল জাতি গঠনক কেন্দ্ৰ কৰি। জাতি-গঠনৰ সমস্যাটো স্বাধীনতাৰ ঠিক পিছৰ সময়খিনিত সৃষ্টি হোৱা অন্য বহু সমস্যাৰ কেন্দ্ৰ বিন্দু হিচাপে পৰিগণিত হৈছিল।

অৱশ্যে এই সমস্যাটোৰ বিষয়ে বিতংভাৱে জানিবলৈ হ'লে আমি স্বাধীনতাৰ কিছু আগৰেপৰা অধ্যয়ন কৰিব লাগিব আৰু তেতিয়াহে স্বাধীনতাৰ ঠিক পিছতেই ৰাষ্ট্ৰীয় ঐক্য আৰু সুৰক্ষা কিয় অতি গুৰুত্বপূৰ্ণ বিষয় হৈ পৰিছিল সেইটো বোধগম্য হ'ব। ইয়াৰ পিছতে আমি একে ঐতিহাসিক পটভূমি, একে লক্ষ্য তথা সংকল্পৰ দ্বাৰা ঐক্যবদ্ধ হোৱা দেশখনে নিজকে কেনেকৈ জাতি হিচাপে প্ৰতিষ্ঠা কৰাৰ প্ৰয়াস কৰিছিল সেই বিষয়ে আলোচনা কৰিম। এটা জাতি হিচাপে মূৰ দাঙি থিয় হোৱাৰ সংকল্পৰে ঐক্যবদ্ধ হোৱা ভাৰতবৰ্ষই ইয়াৰ চুকে-কোণে সিঁচৰতি হৈ থকা জাতি-সত্ত্বাসমূহৰ ইচ্ছা-আকাংক্ষাক প্ৰতিফলিত কৰা তথা এনে জাতি-জনগোষ্ঠীসমূহৰ স্বকীয়তা অক্ষুণ্ণ ৰখাৰ বাবে যথোপযুক্ত নীতি গ্ৰহণ কৰিবলগীয়া হৈছিল। পিছৰ দুটা অধ্যায়ত আমি সমতা আৰু ন্যায়ৰ মাজেদি আৰ্থিক বিকাশ ত্বৰান্বিত কৰা আৰু ভাৰতত গণতান্ত্ৰিক ব্যৱস্থা প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত দেখা দিয়া প্ৰত্যাহ্বানসমূহৰ বিষয়ে আলোচনা কৰিম।




১৯৫০ চনৰ ২৬ জানুৱাৰীত প্ৰথম গণৰাজ্য দিৱসৰ চিন স্বৰূপে এই ডাকটিকট কেইটা মুকলি কৰা হৈছিল। ডাক টিকটকেইটাত থকা চিত্ৰসমূহে নতুন ৰাষ্ট্ৰখনৰ কোনবোৰ সমস্যাৰ কথা ইংগিত কৰিছে বুজিব পাৰিছানে? ১৯৫০ চনত এই ডাক টিকটকেইটাৰ আৰ্হি তোমালোকক প্ৰস্তুত কৰিবলৈ দিয়াহেঁতেন তুমি কোনটো আৰ্হি পচন্দ কৰিলাহেঁতেন?



FUTURE CORRESPONDENCE ABOUT
AARIF-UL-QURAN
please be made at the following address:—
blisher, MAARIF-UL-QURAN,
C o Mr. PARVEZ
HOME DEPARTMENT
GOVERNMENT OF PAKISTAN
KARACHI

Dawn

Founded By QAED-E-AZAM MOHAMMAD ALI JINNAH
Edited by ALTAF H. SA

VISIT
MANCHESTER HOUSE
TAILORS
The Authority on Style & Clothes
(Sherwani Specialists)
Phone: 7331
ELPHINSTONE STREET
KARACHI

AED-E-AZAM'S TRIBUTE TO BRITISH PEOPLE
bsolute Transfer Of Power
Unknown In World History
AKISTAN TO MAINTAIN FRIENDSHIP
WITH BRITAIN AND HINDUSTAN
NNAH'S SPEECH AT STATE DINNER
TO LORD & LADY MOUNTBATTEN


**স্বাধীনতাৰ প্ৰভাত**
***ফাইজ আহমদ ফাইজ***

এই ভয়াৰ্ত, নিস্তেজ
দুৰ্বিষহ নিশাৰ প্ৰভাত
যাৰ বাবে আছিল সুদীৰ্ঘ অপেক্ষা
এয়াতো নহয় সেই প্ৰভাত।
যাৰ বাবে আমি যাত্ৰা কৰিছিলোঁ,
আশা কৰিছিলোঁ কেতিয়াবা ক'ৰবাত
আকাশৰ বিশালতাৰ মাজত তৰাৰ ঠিকনা বিচাৰি উলিয়াম।
নিশাৰ লয়লাস ঢৌবোৰে এদিন ক'ৰবাত বন্দৰ বিচাৰি পাব,
হৃদয়ৰ দুখৰ নাওখনে এদিন ক'ৰবাত লংগৰ পেলাব।

**কবি পৰিচয় ঃ**

***ফাইজ আহমদ ফাইজ*** (১৯১১-১৯৮৪)

শিয়ালকোৰ্টত জন্ম হোৱা কবি ফাইজ আহমদ ফাইজে দেশ-বিভাজনৰ পিছত পাকিস্তানত থাকিবলে লয়। ৰাজনৈতিক মতাদৰ্শত তেওঁ এজন বাঁওপন্থী আছিল। পাকিস্তানী কৰ্তৃপক্ষক কৰা সমালোচনাৰ কাৰণে তেওঁ জেলভাত খাবলগীয়াও হৈছিল। কুৰি শতিকাত সমগ্ৰ দক্ষিণ এছিয়াৰ এজন শক্তিশালী কবি হিচাপে পৰিচিত ফাইজ আহমদ ফাইজৰ কাব্য সংকলনসমূহৰ ভিতৰত 'নাক্স-এ ফাৰিয়াদি', 'দাষ্ট-এ-চাবা'— 'জিনদান নামা' আদি উল্লেখযোগ্য।



আমি সেইটো উদ্দেশ্য আগত ৰাখি কাম কৰা উচিত যাতে সময়ৰ সোঁতত সংখ্যাগুৰু আৰু সংখ্যালঘু, হিন্দু আৰু মুছলমান তথা মুছলমানসকলৰ মাজত থকা পাঠান, পাঞ্জাৱী, চিয়া-চুন্নী আৰু হিন্দুসকলৰ মাজত থকা ব্ৰাহ্মিণ, বৈষ্ণৱ, ক্ষত্ৰিয়, বাঙালী, মাদ্ৰাজী আদিৰ মাজৰ পাৰ্থক্যসমূহ লোপ পায়। এই পাকিস্তানৰ সকলো নাগৰিকেই মুক্ত। তোমালোক মন্দিৰলৈ যাব পাৰা বা মছজিদলৈ যাব পাৰা, বা অন্য কোনো প্ৰাৰ্থনাগৃহলৈ যাবৰ বাবে তোমালোক মুক্ত। তুমি যি কোনো ধৰ্মাৱলম্বী বা যি কোনো জাতিৰ লোক হ'ব পাৰা— ৰাষ্ট্ৰ পৰিচালনাৰ লগত তাৰ কোনো সম্পৰ্ক নাই।'

**মহম্মদ আলী জিন্না,** পাকিস্তানৰ সংবিধান সভাত দিয়া সভাপতিৰ অভিষাণৰ কিয়দংশ, ১১ আগষ্ট, ১৯৪৭ চন।



REGD. No. B111

# The Times of India

ESTABLISHED 1838

NO. 195. VOL. CIX. BOMBAY: FRIDAY, AUGUST 15, 1947 PRICE TWO ANNAS DO NOT PAY MORE

For CARPETS and FURS visit

OPTICIANS
BALIWALLA & HOMI LTD.
255, HORNBY RD. BOMBAY

## BIRTH OF INDIA'S FREEDOM

Pandit Nehru

**NEW CABINET OF INDIA**

Fourteen Members

PANDIT NEHRU TO BE PREMIER

NEW DELHI, August 14.
The new Cabinet of India, which will function from August 15, announced tonight, will consist of the following:
Pandit Jawaharlal Nehru—Prime Minister, External and Commonwealth Relations and Scientific Research.

**NATION WAKES TO NEW LIFE**

**Mr. Nehru Calls For Big Effort From People**

**"INCESSANT STRIVING TASK OF FUTURE"**

**Assembly Members Take Solemn Pledge**

WILD SCENES OF JUBILATION IN DELHI

From Our Special Representative

NEW DELHI, AUGUST 14.
ENTIRE DELHI KEPT AWAKE TO WITNESS THE HISTORIC EVENT OF USHERING IN THE FREEDOM OF INDIA AT THE HOUR OF MIDNIGHT.

*Unprecedented scenes of enthusiasm were witnessed both inside and outside the Constituent Assembly Chamber, where seething, swaying humanity wildly cheered the momentous ... heralded with the blowing of conches*

*STATE VISIT TO KARACHI*

Their Excellencies Lord and Lady Mountbatten speaking to Service representatives at the Mauripur Airport on their arrival in Karachi from Delhi on Wednesday

**LORD MOUNTBATTEN GREETS PAKISTAN**

**Mr. Jinnah Re-Affirms Firm Friendship With Britain**

From Our Staff Correspondent.

**FRENZIED ENTHUSIASM IN BOMBAY**

**Crowds In Festive Mood**

THE national flag was hoisted over the 74-year-old Bombay Civil Secretariat at midnight when the citizens of Bombay greeted the dawn of independence with solemn invocation and frenzied rejoicing.

"Citizens of free India—you are now free",—said the Prime Minister, Mr. B. G. Kher, in raising the flag at the midnight ceremony, which was attended by all Ministers and departmental heads and employees of the Bombay Government.

His declaration was greeted with cheers from the thousands who gathered at the approaches to the Secretariat.

A strong police guard kept order with the greatest difficulty till the conclusion of the ceremony when they lost control and hundreds swarmed through the Building in wild enthusiasm. Their spirit was that of the hundreds of thousands who marched cheering through the illuminated streets of Bombay, uninterruptedly shouting slogans in a multitude of tongues, which turned the city at midnight into a Babel.

Bombay in the early hours of Friday morning was a pedestrians' paradise. Cars either drove on the pavements, if they got the right of way, or were marooned there. Rejoicing crowds held the streets and all traffic rules were ignored. Trams and buses were not only packed to doors, but carried passengers on their roofs. Everyone cheered as the spirit of the occasion spread infectiously ...

**"MAY BOMBAY PROSPER"**

**Governor's Message**

GOOD WISHES TO FREE INDIA

Sir John Colville, Governor of Bombay, has sent greetings to the people of Bombay Province on the occasion of India's emergence as a full-fledged Dominion.

The message says: "This is the Appointed Day. At midnight last night the Indian Independence Act came into operation and today India has freedom, full and complete, to ...

***ৰাৱিছ শ্বাহ***


***অমৃতা প্ৰীতম***



ৰাৱিছ শ্বাহ, ৰাৱিছ শ্বাহ
'মাত দিয়া তোমাৰ কবৰৰ পৰা'।
এসময়ত পাঞ্জাৱৰ মাথোঁ এজনী জীয়ে কান্দিছিল,
আৰু তুমি লিখিছিলা এটি শোকগাঁথা।
আজি হাজাৰজনীয়ে কান্দিছে অ' ৰাৱিছ শ্বাহ
জাগি উঠা, জাগি উঠা অ' বিষাদৰ বক্তা;
চোৱা তোমাৰ পাঞ্জাৱ।
আজি শস্যক্ষেত্ৰ ভৰি পৰিছে মৰাশৰে, চেনাব পূৰ্ণ হৈছে ৰক্তেৰে,
পঞ্চনদীৰ গতিত কোনোবাই মিহলাই দিছে বিহ,
যাৰ বিষাক্ত পানীয়ে ধুৱাই নিছে আমাৰ গৌৰৱময় অতীত।
এই সাৰুৱা ভূমিৰ পৰা গজালি মেলিছে বিষাক্ত তৃণ।
আজি আঘাতত ৰক্তাক্ত হৈছে পাঞ্জাৱৰ আকাশ
চিঞৰি উঠিছে ইয়াৰ প্ৰতিখন হাবিৰ বতাহে
ইয়াৰ প্ৰতিজোপা বাঁহগছে বজাইছে এটি বিষাদৰ সুৰ
যি বিষাক্ত কৰি তুলিছে মোৰ দেশৰ প্ৰতিখন গাঁও, নগৰ, চহৰ...

**কবি পৰিচয় ঃ**
**অমৃতা প্ৰীতম (১৯১৯-২০০৫)**

বিখ্যাত পাঞ্জাৱী কবি-সাহিত্যিক অমৃতা প্ৰীতমে তেখেতৰ সাহিত্য-কৰ্মৰ বাবে সাহিত্য অকাডেমী বঁটা লাভ কৰাৰ লগতে পদ্মশ্ৰী আৰু জ্ঞানপীঠ বঁটাও লাভ কৰিছিল। দেশ বিভাজনৰ পিছত তেওঁ দিল্লীত থাকিবলৈ লয়। জীৱনৰ শেষ দিনলৈকে তেওঁ সাহিত্যসৃষ্টিৰ লগতে 'নাগমণি' নামৰ পাঞ্জাৱী মাহেকীয়া আলোচনীখনৰ সম্পাদনা কৰি যায়।




"আমাৰ ভাৰতত থকা সংখ্যালঘু মুছলমানসকলৰ সংখ্যা ইমান বেছি যে তেওঁলোকে ইচ্ছা কৰিলেও অন্য স্থানলৈ গুচি যাব নোৱাৰে। ই এটা মৌলিক সত্য আৰু ইয়াত কোনো বিতৰ্কৰ অৱকাশ নাই। পাকিস্তানে আমাক যিমানেই উত্তেজিত নকৰক কিয়, বা পাকিস্তানত থকা অ-মুছলমানসকলক যিমানেই অপমানিত বা সন্ত্ৰাসিত নকৰক কিয়, আমি আমাৰ সংখ্যালঘুসকলক সু-সভ্য আচৰণ কৰিবই লাগিব। এখন গণতান্ত্ৰিক ৰাষ্ট্ৰ হিচাপে আমি তেওঁলোকক নিৰাপত্তা আৰু নাগৰিকৰ অধিকাৰসমূহ দিব লাগিব। আমি যদি সেইটো কৰাত ব্যৰ্থ হওঁ, তেন্তে ই এটুকুৰা ৰক্তাক্ত ঘাঁৰ ৰূপ ল'ব— যি শেষত— দেশৰ সমগ্ৰ ৰাজনৈতিক প্ৰক্ৰিয়াটোকে বিষাক্ত কৰি তুলিব আৰু বোধহয় ধ্বংস কৰি পেলাব।"

— **প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৱে** ৰাজ্যৰ মুখ্যমন্ত্ৰীসকললৈ লিখা চিঠিৰ কিয়দংশ, ১৫ অক্টোবৰ, ১৯৪৭ চন।

### *দেশ বিভাজন ঃ স্থানান্তৰকৰণ আৰু পুনৰ সংস্থাপন*
### (Partition : displacement and rehabilitation)

১৯৪৭ চনৰ ১৪ আৰু ১৫ আগষ্টত দুখন ৰাষ্ট্ৰৰ জন্ম হৈছিল— পাকিস্তান আৰু ভাৰত। ইংৰাজ শাসনাধীন ভাৰতক বিভাজন কৰি ভাৰত আৰু পাকিস্তানৰ সৃষ্টি কৰা হৈছিল। তোমালোকে ইতিহাসৰ পাঠ্যপুথিত দেশ বিভাজন আৰু নতুন ৰাষ্ট্ৰ দুখনৰ সীমা নিৰ্ধাৰণক কেন্দ্ৰ কৰি সৃষ্টি হোৱা ৰাজনৈতিক গতি ধাৰাৰ বিষয়ে নিশ্চয় অধ্যয়ন কৰিছাঁহক। মুছলীম লীগে আগবঢ়োৱা দ্বি-জাতিতত্ত্ব অনুসৰি ভাৰতবৰ্ষত দুটা জাতি আছে— হিন্দু আৰু মুছলমান। মুছলীম লীগে মুছলমানসকলৰ বাবে এখন পৃথক ৰাষ্ট্ৰ— পাকিস্তানৰ দাবী উত্থাপন কৰিছিল। ভাৰতীয় জাতীয় কংগ্ৰেছ দলে এই দ্বি-জাতিতত্ত্ব তথা পৃথক ৰাষ্ট্ৰৰ দাবীৰ তীব্ৰ বিৰোধিতা কৰিছিল। কিন্তু ১৯৪০-ৰ দশকত ঘটা বিভিন্ন ঘটনা-পৰিঘটনা, কংগ্ৰেছ আৰু মুছলীম লীগৰ মাজত চলি থকা তীব্ৰ ৰাজনৈতিক বিৰোধ তথা প্ৰতিযোগিতা আৰু ইংৰাজ শাসকৰ ভূমিকাই শেষত দেশ বিভাজনৰ সিদ্ধান্ত গ্ৰহণত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল।

### *দেশ বিভাজন প্ৰক্ৰিয়া ঃ* (Process of Partition)



অ' মই এতিয়াহে বুজি পালো! তাহানিৰ 'পূব' বংগই হ'ল বৰ্তমানৰ বাংলাদেশ। সেয়েহে আমাৰ বাংলাদেশখনক 'পশ্চিম'বংগ বুলি কোৱা হয়!

দেশ বিভাজন কেৱল বেদনাদায়কেই নাছিল। ই আছিল এটা অত্যন্ত জটিল সিদ্ধান্ত যিটোৰ কাৰ্যকৰীকৰণত দেখা দিছিল অজস্ৰ সমস্যাই। পৰাধীনতাৰ গ্লানি দূৰ কৰিবলৈ মাৰবান্ধি থিয় হৈ উঠা জাতিটোক দুভাগ কৰিবলৈ যাওঁতে মূলতঃ ধৰ্মীয় সংখ্যাগৰিষ্ঠতাৰ নীতিকেই ভিত্তি কৰি লোৱা হৈছিল। অৰ্থাৎ, মুছলমানৰ সংখ্যাগৰিষ্ঠতা থকা অঞ্চলসমূহ পাকিস্তানৰ লগত চামিল কৰা হৈছিল আৰু বাকী অংশবোৰ ভাৰতৰ লগত ৰখা হৈছিল।

দেখাত সহজ যেন লগা এই নীতিটো কাৰ্যক্ষেত্ৰত প্ৰয়োগ কৰোঁতে সীমাহীন জটিলতাই দেখা দিছিল। প্ৰথমতে, ইংৰাজ শাসনাধীন ভাৰতত তেনে কোনো এটা অঞ্চল নাছিল— য'ত সম্পূৰ্ণৰূপে মুছলমানৰ সংখ্যাগৰিষ্ঠতা আছিল। সেই সময়ত মুছলমান অধ্যুষিত অঞ্চল আছিল দুটা— পৰাধীন ভাৰতৰ পূৰ্ব অংশ আৰু পশ্চিম অংশ। আৰু এই দুয়োটা প্ৰান্তৰ চামিলকৰণৰ কোনো উপায় নাছিল। সেয়েহে এইটো সিদ্ধান্ত লোৱা হ'ল যে নতুনকৈ সৃষ্টি হ'বলগীয়া পাকিস্তান নামৰ ৰাষ্ট্ৰখনৰ ভূ-খণ্ড পূৰ্ব পাকিস্তান আৰু পশ্চিম পাকিস্তান নামে দুটা খণ্ডত বিভক্ত হ'ব। দ্বিতীয়তে, সকলোবোৰ মুছলমান অধ্যুষিত অঞ্চল পাকিস্তানৰ লগত চামিল হ'বলৈ ইচ্ছুক নাছিল। উত্তৰ-পশ্চিম সীমান্ত প্ৰদেশৰ অবিসম্বাদী নেতা তথা সীমান্ত গান্ধী নামে খ্যাত আব্দুল গফৰ খানে দ্বি-জাতিতত্ত্ব আৰু ইয়াৰ আধাৰত হোৱা দেশ বিভাজনৰ তীব্ৰ বিৰোধিতা কৰিছিল। কিন্তু অৱশেষত তেওঁৰ বিৰোধিতাক উপেক্ষা কৰি উত্তৰ-পশ্চিম সীমান্ত প্ৰদেশখন পাকিস্তানত অন্তৰ্ভুক্ত কৰা হয়।

তৃতীয় সমস্যাটো আছিল পৰাধীন ভাৰতৰ পাঞ্জাৱ আৰু বংগ প্ৰদেশক কেন্দ্ৰ কৰি। এই দুয়োখন প্ৰদেশতে মুছলমানসকল সংখ্যাগৰিষ্ঠ আছিল যদিও, বহু বিশাল অঞ্চলত অ-মুছলমানসকলৰ সংখ্যাগৰিষ্ঠতা আছিল। সেয়েহে এইটো সিদ্ধান্ত লোৱা হৈছিল যে এই দুয়োখন প্ৰদেশকে জিলা বা তাতোকৈয়ো তলৰ পৰ্যায়ত ধৰ্মীয়— সংখ্যাগৰিষ্ঠতাৰ ভিত্তিত ভাগ কৰা হ'ব। কিন্তু এই সিদ্ধান্তটো ১৪ বা ১৫ আগষ্টৰ মাজনিশা পৰ্যন্ত গ্ৰহণ কৰা হোৱা নাছিল। অৰ্থাৎ— এই দুয়োখন প্ৰদেশৰ লক্ষ লক্ষ জনতাই স্বাধীনতাৰ দিনাও তেওঁলোক পাকিস্তানৰ অন্তৰ্ভুক্ত হৈছে নে ভাৰততে আছে সেইটোও গম পোৱা নাছিল। এই দুয়োখন প্ৰদেশৰ বিভাজন আছিল ভাৰত বিভাজনৰ এটা অতি দুঃখজনক অধ্যায়।

দেশ বিভাজনৰ পিছত সীমান্তৰ দুয়োপাৰে সংখ্যালঘুসকলে সন্মুখীন হোৱা অবৰ্ণনীয় দুখ-দুৰ্দশা আছিল দেশ বিভাজনে সৃষ্টি কৰা চতুৰ্থটো গুৰুত্বপূৰ্ণ সমস্যা। স্বাধীনতাৰ ঠিক পিছতেই পাকিস্তানত থকা লক্ষ লক্ষ হিন্দু আৰু শিখ সম্প্ৰদায়ৰ লোকৰ লগতে ভাৰতৰ পাঞ্জাৱ, বংগদেশ আৰু দিল্লীৰ দাঁতি-কাষৰীয়া অঞ্চলসমূহত থকা মুছলমানসকলে নিজৰ জন্মস্থানতেই ফান্দত পৰা যেন অনুভৱ কৰিছিল। ককা-আজুককাৰ দিনৰে পৰা বসবাস কৰি অহা স্থানতেই তেওঁলোক বিদেশী হৈ পৰিছিল; চোৱা হৈছিল সন্দেহৰ চকুৰে। দেশ-বিভাজন প্ৰক্ৰিয়া আগবঢ়াৰ লগে লগে দুয়োখন দেশৰে ধৰ্মীয় সংখ্যালঘুসকল হৈ পৰিছিল আক্ৰমণৰ সহজ লক্ষ্য। এনে ভয়াবহ পৰিস্থিতিৰ সৃষ্টি হ'ব বুলি কোনেও অনুমান কৰিব পৰা নাছিল। দুৰ্ভাগ্যৰ কথা হ'ল যে কাৰো হাতত এনে ভয়ানক পৰিস্থিতি নিয়ন্ত্ৰণৰ উপায় নাছিল। আৰম্ভণিতে দেশৰ জনসাধাৰণৰ লগতে নেতাসকলেও এই ঘৃণা-হিংসা-হত্যাক এক সাময়িক ঘটনা বুলিহে ভাবিছিল। কিন্তু দুৰ্ভাগ্যই এনে আশা ভুল বুলি প্ৰমাণিত কৰিলে। এনে পৰিস্থিতিত দুয়োখন দেশৰে সংখ্যালঘুসকলে অতি কম সময়ৰ ভিতৰতে দেশ এৰি প্ৰাণ লৈ পলোৱাৰ বাহিৰে আৰু একো গত্যন্তৰ নাথাকিল।

### *দেশ বিভাজনৰ পৰিণাম* ঃ **(Consequences of Partition)**

লক্ষ লক্ষ জনগণক অতি আকস্মিকভাৱে তথা সম্পূৰ্ণ অপৰিকল্পিতভাৱে স্থানান্তৰ কৰাৰ শোকজনক ঘটনাৰ বাবে ১৯৪৭ চনটো মানৱ ইতিহাসত চিহ্নিত হৈ ৰৈছে। নৱজাত দুয়োখন ৰাষ্ট্ৰতে ধৰ্মৰ নামত চলা নৃশংস অত্যাচাৰ, হত্যা-হিংসাই চৰম পৰ্যায়ত উপনীত হৈছিল। ধৰ্মৰ গইনা লৈ এটা সম্প্ৰদায়ে অন্যটো সম্প্ৰদায়ৰ ওপৰত কৰা অত্যাচাৰৰ ফলত লাহোৰ, অমৃতসৰ, কলকাতা আদি চহৰত সাম্প্ৰদায়িক মণ্ডল গঢ় লৈ উঠিছিল। এই চহৰবোৰত মুছলমান অধ্যুষিত অঞ্চললৈ হিন্দু বা শিখ সম্প্ৰদায়ৰ লোক অহা যোৱা কৰা আৰু হিন্দু বা শিখ সম্প্ৰদায় অধ্যুষিত অঞ্চললৈ মুছলমান সম্প্ৰদায়ৰ লোক আহ-যাহ কৰাটো এৰাই চলা দেখা লৈছিল। এনেদৰে এই চহৰবোৰত সাম্প্ৰদায়িক মণ্ডল গঢ় লৈ উঠা দেখা গৈছিল।



সৌজন্য ঃ ডি পি এ

*১৯৪৭ চনত ভগনীয়াৰে ঠাহ খাই থকা এখন ৰেলগাড়ী।*

***বিলম্বিত অতিথিসেৱা***

*চাদাত হাছান মাণ্ট*

*হিংসুক বিদ্ৰোহীসকলে চলন্ত ৰেলগাড়ীখন ৰখালে। আনটো সম্প্ৰদায়ৰ সকলো যাত্ৰীকে ৰেলৰ পৰা নমাই আনিলে। তৰোৱাল আৰু বন্দুকেৰে আটাইকে হত্যা কৰিলে। বাকী থকা যাত্ৰীসকলক হালোৱা, ফল-মূল আৰু গাখীৰেৰে আপ্যায়ন কৰিলে। মুখ্য আয়োজকজনে ক'লে— "ভাই-ভনীসকল এই ৰেলখন অহাৰ খবৰ আমি পলমকৈ পালোঁ। সেয়েহে আমি আশা কৰাৰ দৰে আপোনাসৱক সেৱা কৰিব নোৱাৰিলোঁ।"*

*উৎস ঃ 'কাছৰে-নাফ্‌চি' নামৰ উৰ্দু চুটি গল্পটোৰ ইংৰাজী ভাঙনি।*

এনে দুৰ্বিষহ পৰিস্থিতিয়ে নিজৰ ঘৰ-বাৰী ত্যাগ কৰিবলৈ বাধ্য কৰা সীমান্তৰ দুয়োপাৰৰ সংখ্যালঘু সম্প্ৰদায়ৰ লোকসকলে নতুন সীমান্ত অতিক্ৰম কৰিবলৈ যাওঁতে সীমাহীন কষ্ট আৰু অকথ্য নিৰ্যাতনৰ সন্মুখীন হ'ব লগা হৈছিল। দেশ বিভাজন আৰু ইয়াৰ পিছৰ পৰিস্থিতিয়ে গৃহহীন কৰা লাখ লাখ লোকে শৰণাৰ্থী শিবিৰত আশ্ৰয় ল'বলগীয়া হৈছিল। এনে ভগনীয়াসকলে আনকি স্থানীয় প্ৰশাসন আৰু আৰক্ষীৰ পৰাও যথোপযুক্ত সঁহাৰি পোৱা নাছিল। নতুন সীমান্ত অতিক্ৰম কৰিবলৈ বাছ, ৰেল আৰু পদব্ৰজে অগ্ৰসৰ হোৱা ভগনীয়াসকলে যাত্ৰাপথত হত্যা-ধৰ্ষণ-লুণ্ঠনৰ সন্মুখীন হ'বলগীয়া হৈছিল। সীমান্তৰ দুয়োপাৰে হাজাৰ হাজাৰ মহিলাক ধৰ্ষণ কৰা হৈছিল। বহুসংখ্যক মহিলাক অপহৰণ কৰি নি জোৰ জুলুমকৈ বিয়া কৰাই ধৰ্মান্তৰকৰণ কৰা হৈছিল। আনকি বহু মহিলাক বিধৰ্মীৰ হাতত লাঞ্ছিত হৈ পৰিয়ালৰ দুৰ্নাম আনিব বুলি ভাবি পৰিয়ালৰ লোকেই হত্যা কৰাৰ কথাও পোহৰলৈ আহিছিল। বহুতো শিশু নিজৰ পিতৃ-মাতৃৰ পৰা পৃথক হৈ আশ্ৰয়হীন হ'বলগীয়া হৈছিল। এনেদৰে যাত্ৰাপথত অকথ্য নিৰ্যাতন, লাঞ্ছনা-বঞ্চনাৰ সন্মুখীন হৈ লক্ষ লক্ষ ভগনীয়াই সীমান্ত অতিক্ৰম কৰাৰ পিছতহে গম পালে যে সীমান্তৰ এইটো পাৰতো তেওঁলোকৰ বাবে কোনো ঘৰ নাই। বাধ্য হৈ শৰণাৰ্থী শিবিৰত আশ্ৰয় লোৱা এনে লোকসকলৰ বাবে দেশৰ স্বাধীনতা মানে আশ্ৰয় শিবিৰৰ জীৱনৰ বাদে আন একো নাছিল।



সৌজন্য ঃ নেহেৰু মেম'ৰিয়েল মিউজিয়াম এণ্ড লাইব্ৰেৰী।
১৯৪৭ চনত নোৱাখালিত (বৰ্তমানৰ বাংলাদেশত) গান্ধী।

ভাৰত-পাকিস্তানৰ কবি-সাহিত্যিকসকলে দেশ-বিভাজনৰ এই কৰুণ কাহিনীক লৈ বহু-সংখ্যক গল্প, কবিতা, উপন্যাস আদি ৰচনা কৰিছে। দুয়োখন দেশৰে চলচ্চিত্ৰ নিৰ্মাতাসকলেও এই বিষয়ক লৈ কেইবাখনো উল্লেখযোগ্য চলচ্চিত্ৰ নিৰ্মাণ কৰিছে। দেশ-বিভাজনক উপজীব্য হিচাপে লৈ সৃষ্টি হোৱা এনে কলাত্মক সৃষ্টিসমূহত দেশ-বিভাজনক 'হৃদয়ৰ বিভাজন' হিচাপে বৰ্ণনা কৰা হৈছে।

আমাৰ এই দেশ বিভাজন কেৱল দেশৰ সা-সম্পত্তি, দেনা-পাওনা বা দেশৰ ৰাজনৈতিক আৰু প্ৰশাসনীয় গোটৰ বিভাজন নাছিল। আৰ্থিক সম্পদসমূহৰ লগতে চৰকাৰী কাৰ্যালয়ৰ চকী-মেজ, কিতাপ-পত্ৰ, টাইপ-ৰাইটাৰ, পেপাৰক্লিপ আৰু আনকি আৰক্ষী বাহিনীয়ে ব্যৱহাৰ কৰা বাদ্যযন্ত্ৰসমূহো ভাগ কৰি লোৱা হৈছিল। চৰকাৰী কৰ্মচাৰী আৰু ৰে'ল বিভাগৰ কৰ্মচাৰীসকলকো ভাগ কৰি লোৱা হৈছিল। সবাতোকৈ গুৰুত্বপূৰ্ণ কথাটো হ'ল যে বহুযুগৰে পৰা মিলা প্ৰীতিৰে বসবাস কৰি অহা দুয়োটা সম্প্ৰদায়ৰ মাজত হোৱা এক ৰক্তাক্ত ভাতৃঘাতী সংঘৰ্ষৰ যোগেদি এই বিভাজন সম্পূৰ্ণ হৈছিল। এক আনুমানিক হিচাপ অনুসৰি প্ৰায় ৮০ লাখ লোকে সুৰক্ষিত আশ্ৰয়স্থলীৰ সন্ধানত সীমান্ত অতিক্ৰম কৰিছিল। প্ৰায় ৫ৰ পৰা ১০লাখ পৰ্যন্ত লোকে দেশ বিভাজনে সৃষ্টি কৰা অশান্তিত প্ৰাণ হেৰুৱাইছিল।

প্ৰশাসনীয় আৰু আৰ্থিক ক্ষয়-ক্ষতিৰ উপৰি দেশ বিভাজনে ভাৰতত অন্য এক গুৰুতৰ সমস্যাৰ জন্ম দিছিল।— ভাৰতৰ স্বাধীনতা সংগ্ৰামীসকলে কেতিয়াও দ্বি-জাতিতত্ত্ব মানি লোৱা নাছিল। তথাপি ধৰ্মৰ ভিত্তিত দেশ বিভাজন হৈ গৈছিল। মুছলমানসকলৰ বাবে পৃথক পাকিস্তান গঠন কৰা হৈছিল। কিন্তু প্ৰশ্ন হ'ল মুছলমানৰ বাবে পৃথক পাকিস্তান গঠনে ভাৰতক আপুনা-আপুনি হিন্দু ৰাষ্ট্ৰলৈ পৰিণত কৰিলেনে? দেশ বিভাজনৰ পিছত লক্ষ লক্ষ মুছলমান পাকিস্তানলৈ গুচি যোৱাৰ পিছতো ১৯৫১ চনৰ লোকপিয়ল অনুসৰি ভাৰতৰ মুঠ জনসংখ্যাৰ ১২ শতাংশ লোক আছিল মুছলমান। এনে পৰিস্থিতিত ভাৰত ৰাষ্ট্ৰই মুছলমানকে আদি কৰি জৈন, খ্ৰীষ্টিয়ান, বৌদ্ধ

এখন চিনেমা চাওঁ আহা

**গৰম হাৱা**



'গৰম হাৱা' নামৰ হিন্দী কথাছবিখনৰ নায়ক ছালিম মিৰ্জা আগ্ৰাৰ এজন জোতা ব্যৱসায়ী আছিল। দেশ বিভাজনৰ পিছত ছালিমে গোটেই জীৱনটো একেলগে বসবাস কৰি অহা নিজৰ মানুহখিনিৰ মাজতেই বিদেশী হৈ পৰিল। দেশ বিভাজনে সৃষ্টি কৰা কঠোৰ বাস্তৱৰ মাজত তেওঁ হেৰাই যোৱা যেন অনুভৱ কৰিলে। তেওঁৰ ব্যৱসায় ক্ষতিগ্ৰস্ত হ'ল। পূৰ্ব-পুৰুষৰ পৰা ভোগ কৰি অহা সা-সম্পত্তিসমূহ সীমান্তৰ সিপাৰৰ পৰা অহা ভগনীয়া সকলে দখল কৰি ল'লে। ছালিমৰ ছোৱালীজনীৰ এনে দুৰ্দশাৰ মাজতে মৃত্যু হ'ল। অৱশ্যে ছালিম এনে পৰিস্থিতিতো ভাগি পৰা নাছিল আৰু সোনকালেই পৰিস্থিতি উন্নত হ'ব বুলি আশা কৰিছিল।

কিন্তু তেওঁৰ পৰিয়ালৰ বহুকেইজনে পাকিস্তানলৈ গুচি যোৱাৰ সিদ্ধান্ত ল'লে। পাকিস্তানলৈ গুচি যোৱাৰ আৱেগ আৰু ভাৰতত থকা আৱশ্যকতাৰ মাজত ছালিম-দোদুল্যমান হৈ আছিল। এনে অৱস্থাৰ মাজতে ছালিমে চৰকাৰৰ পৰা সু-ব্যৱস্থাৰ দাবীত ছাত্ৰসকলে উলিওৱা এটা শোভাযাত্ৰা দেখা পালে আৰু লগে লগে ছালিম এটা খাটাং সিদ্ধান্তলৈ আহিল। ছালিমৰ পুত্ৰ ছিকন্দৰে এই শোভাযাত্ৰাত অংশ ল'লে।

ছালিম মিৰ্জাই শেষত কি কৰিলে তোমালোকে কল্পনা কৰিব পাৰিবানে? ছালিম মিৰ্জাৰ নিচিনা পৰিস্থিতিত পৰিলে তুমি কি কৰিলাহেঁতেন?

চন ঃ ১৯৭৩
পৰিচালক ঃ এম. এছ. চাথ্যু।
চিত্ৰনাট্য ঃ কাইফি আজ্‌মি।
অভিনেতা ঃ বলৰাজ চাহিনী, জালাল আগা, ফাৰুখ শ্বেইখ, গীতা সিদ্ধাৰ্থ।

### *মহাত্মা গান্ধীৰ আত্মবলিদান*

১৯৪৭ চনৰ ১৫ আগষ্টৰ দিনা ভাৰতে স্বাধীনতা লাভ কৰিছিল। কিন্তু আমাৰ স্বাধীনতা আন্দোলনৰ মুখ্য সেনাপতি তথা জাতিৰ পিতা মহাত্মা গান্ধীয়ে সেইদিনা স্বাধীনতা দিৱসৰ কোনো কাৰ্যসূচীতে অংশগ্ৰহণ কৰা নাছিল। সেইদিনা তেওঁ কলকাতাৰ সংঘৰ্ষ পীড়িত অঞ্চলত আছিল। হিন্দু-মুছলমানৰ মাজত চলা ভয়াবহ সংঘৰ্ষ দেখি তেওঁ অতি বিমৰ্ষ হৈ পৰিছিল। অহিংসা আৰু সত্যাগ্ৰহ (অহিংস নীতিৰে কৰা প্ৰতিবাদ) নীতিয়েই আছিল গান্ধীৰ জীৱনীশক্তি। বৃটিছৰ বিৰুদ্ধে কৰা সংগ্ৰামত এই দুটা নীতিয়েই আছিল গান্ধীৰ মূল অস্ত্ৰ। কিন্তু বিপদৰ সময়ত এই নীতিসমূহে জনগণক সংযত কৰি ৰাখিব নোৱৰাত তেওঁ মৰ্মাহত হৈছিল। গান্ধীয়ে হিন্দু-মুছলমান উভয় পক্ষকে হিংসা ত্যাগ কৰিবলৈ সৈমান কৰিছিল। গান্ধীৰ উপস্থিতিয়ে কলকাতাত পৰিস্থিতিৰ দ্ৰুত উন্নতি ঘটাইছিল। ফলত কলকাতাত স্বাধীনতা দিৱস উলহ-মালহেৰে পালন কৰা হৈছিল। সাম্প্ৰদায়িক সদ্‌ভাৱনাৰ প্ৰকাশ ঘটাই কলকতাৰ ৰাজপথত নাচ-গানৰ সমাহাৰ ঘটিছিল। গান্ধীয়ে আয়োজন কৰা প্ৰাৰ্থনা সভাসমূহে যথেষ্ট লোকক আকৰ্ষণ কৰিছিল। কিন্তু এনে শান্তি তথা আনন্দ ক্ষণস্থায়ী আছিল। কাৰণ হিন্দু-মুছলমানৰ মাজত পুনৰ সংঘৰ্ষৰ সৃষ্টি হৈছিল আৰু শান্তি ঘূৰাই আনিবলে গান্ধীয়ে অনশন কৰিবলগীয়া হৈছিল।

পিছৰ মাহত গান্ধীয়ে সংঘৰ্ষ পীড়িত দিল্লীলৈ যাত্ৰা কৰিছিল। মুছলমানসকলে ভাৰতত যাতে সম নাগৰিকত্ব লাভ কৰে আৰু মৰ্যাদা সহকাৰে জীয়াই থাকিব পাৰে সেইটো নিশ্চিত কৰাৰ ওপৰত তেওঁ যথেষ্ট গুৰুত্ব আৰোপ কৰিছিল। ভাৰত-পাকিস্তানৰ সম্বন্ধক লৈও তেওঁ বৰ চিন্তান্বিত আছিল। ভাৰত চৰকাৰে পাকিস্তানক আৰ্থিক ক্ষেত্ৰত দিয়া প্ৰতিশ্ৰুতিসমূহ পূৰণ নকৰাৰ সিদ্ধান্ত লোৱাত তেওঁ দুখ পাইছিল। এই সকলোবিলাক বিষয় আগত ৰাখি তেওঁ ১৯৪৮ চনৰ জানুৱাৰী মাহত অনশন কাৰ্যসূচী আৰম্ভ কৰে আৰু এইটোৱেই তেওঁৰ জীৱনৰ শেষ অনশন হৈ পৰে। কলকাতাৰ নিচিনা দিল্লীতো তেওঁৰ অনশনে পৰিস্থিতিৰ নাটকীয় পৰিৱৰ্তন ঘটনালে। হিংসা-হত্যা কমি আহিল। দিল্লী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলৰ মুছলমানসকল সুৰক্ষিতভাৱে স্ব-গৃহলৈ উভতিব পৰা হ'ল। ভাৰত চৰকাৰেও পাকিস্তানক পৰিশোধ কৰিবলগীয়াখিনি দিবলৈ মান্তি হ'ল।

অৱশ্যে গান্ধীজীৰ কৰ্মৰাজি বা কৰ্মপন্থাসমূহ সকলোৱে ভালপোৱা নাছিল। হিন্দু-মুছলমান উভয় সম্প্ৰদায়ৰ চৰমপন্থীসকলে তেওঁলোকৰ অৱস্থাৰ বাবে গান্ধীকে দোষাৰোপ কৰিছিল। বিশেষকৈ মুছলমানসকলৰ ওপৰত প্ৰতিশোধ লোৱাৰ মনোভাব থকা হিন্দুসকলৰ লগতে ভাৰতক হিন্দুৰাষ্ট্ৰ হিচাপে প্ৰতিষ্ঠা কৰিব বিচৰাসকলে গান্ধীক ভালপোৱা নাছিল। তেওঁলোকে গান্ধীৰ বিৰুদ্ধে পাকিস্তান আৰু মুছলমানৰ সপক্ষে কাম কৰাৰ অভিযোগ উত্থাপন কৰিছিল। অৱশ্যে গান্ধীয়ে তেনে লোকসকলক ভুল পথেৰে পৰিচালিত হোৱা বুলি ভাবিছিল। গান্ধীজীয়ে গভীৰভাৱে এইটো কথাও বিশ্বাস কৰিছিল যে ভাৰতক হিন্দুৰাষ্ট্ৰ হিচাপে প্ৰতিষ্ঠা কৰিব বিচৰা যিকোনো প্ৰয়াসে ভাৰতক ধ্বংস কৰি পেলাব। গান্ধীয়ে হিন্দু-মুছলমানৰ সম্প্ৰীতিৰ ওপৰত জোৰ দি অহাৰ পৰিপ্ৰেক্ষিতত চৰমপন্থী হিন্দুসকল যথেষ্ট উত্তেজিত হৈছিল আৰু বহুবাৰ গান্ধীক হত্যা কৰাৰ চেষ্টা চলাইছিল। তথাপি গান্ধীয়ে সশস্ত্ৰ নিৰাপত্তাৰক্ষী ল'বলৈ মান্তি হোৱা নাছিল। আৰু তেওঁৰ প্ৰাৰ্থনা সভাসমূহত সকলো ধৰণৰ ব্যক্তিকে সাক্ষাৎ দিছিল। শেষত ১৯৪৮ চনৰ ৩০ জানুৱাৰীৰ দিনা আবেলিৰ এক প্ৰাৰ্থনাসভাত নাথুৰাম বিনায়ক গড়্‌চে নামৰ এজন লোকে গান্ধীক নিচেই কাষৰ পৰা তিনিজাঁই গুলীৰে থিতাতে হত্যা কৰিছিল। আৰু এনেকৈয়ে সত্য, অহিংস, ন্যায় আৰু সহিষ্ণুতাৰ সন্ধানত চলা এক জীৱনজোৰা অধ্যায়ৰ দুখজনক সামৰণি পৰে।

গান্ধীৰ মৃত্যুৰে সমগ্ৰ ভাৰততে শোকৰ বন্যা-বোৱাইছিল। সাম্প্ৰদায়িক সংঘৰ্ষৰ ক্ষেত্ৰত গান্ধীৰ মৃত্যুৰে এক যাদুকৰী পৰিস্থিতিৰ সৃষ্টি কৰিলে। দেশ-বিভাজনকেন্দ্ৰিক হত্যা-হিংসা হঠাৎ






Credit: Sunil Janah

The news of Gandhi Ji's assasination drew a crowd in Kolkata.

কমি আহিল। সাম্প্ৰদায়িক বিষবাষ্প বিয়পোৱা সংগঠনবিলাকৰ ক্ষেত্ৰত চৰকাৰে কঠোৰ স্থিতি গ্ৰহণ কৰিলে। ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘৰ নিচিনা সংগঠনক কিছুদিনৰ বাবে নিষিদ্ধ ঘোষণা কৰা হ'ল। সাম্প্ৰদায়িক ৰাজনীতিয়েও লাহে লাহে ইয়াৰ আকৰ্ষণ ক্ষমতা হেৰুৱাবলৈ আৰম্ভ কৰে।

আদি ধৰ্মীয় সংখ্যালঘুসকলক কেনে ব্যৱহাৰ কৰিব সেইটো গুৰুত্বপূৰ্ণ প্ৰশ্ন হৈ পৰিছিল। ইতিমধ্যেই দেশ বিভাজনে হিন্দু-মুছলমানৰ সম্বন্ধত এক তিক্ততাৰ সৃষ্টি কৰিছিল।

দেশ বিভাজনৰ সময়ত সৃষ্টি হোৱা এনে ঘটনাৰাজিৰ লগত ৰাজনৈতিক স্বাৰ্থ তথা লাভালাভৰ কথা জড়িত হৈ আছিল। পৰাধীন ভাৰতত মুছলমানসকলৰ কল্যাণ তথা স্বাৰ্থৰক্ষাৰ উদ্দেশ্যে মুছলীম লীগৰ জন্ম হৈছিল। এই মুছলীম লীগেই আছিল মুছলমানৰ বাবে পৃথক ৰাষ্ট্ৰৰ দাবীৰ গুৰি ধৰোঁতা। ভাৰতবৰ্ষত সেই সময়ত বহুতো এনে সংগঠন আছিল যিবোৰে হিন্দুসকলক একত্ৰিত কৰি ভাৰতক এখন হিন্দু-ৰাষ্ট্ৰ হিচাপে প্ৰতিষ্ঠা কৰিব বিচাৰিছিল। কিন্তু গৰিষ্ঠসংখ্যক স্বাধীনতা সংগ্ৰামীয়েই ভাৰতক এনে ৰাষ্ট্ৰ হিচাপে গঢ়ি দিব বিচাৰিছিল— য'ত জাতি, বৰ্ণ, ধৰ্ম ভাষা নিৰ্বিশেষে সকলো ব্যক্তিয়েই সমমৰ্যাদা লাভ কৰে। ধৰ্মৰ নামত যাতে ব্যক্তিক বিভাজন কৰা নহয় তাৰ বাবে কোনো ধৰ্মকে বিশেষ মৰ্যদা নিদি তথা সকলো ধৰ্ম আৰু ধৰ্মাৱলম্বীক সমদৃষ্টিৰে চোৱাৰ বাবে আমাৰ স্বাধীনতা সংগ্ৰামীসকলে ভাৰতবৰ্ষক এখন ধৰ্ম নিৰপেক্ষ ৰাষ্ট্ৰ হিচাপে প্ৰতিষ্ঠা কৰিব বিচাৰিছিল। এই ধৰ্ম নিৰপেক্ষ ৰাষ্ট্ৰৰ ধাৰণাটো পিছলৈ আমাৰ সংবিধানত সন্নিৱিষ্ট কৰা হৈছিল।

*পাকিস্তানৰ প্ৰসংগ ওলালেই শ্বোৰেতাৰ ককাদেউতাক নিৰ্বাক নিস্তব্ধ হৈ পৰিছিল। স্বোৰেতাই কথাটো লক্ষ্য কৰিছিল আৰু এদিন ককাদেউতাকক ইয়াৰ কাৰণ সুধিছিল। ককাদেউতাকে দেশ বিভাজনৰ সময়ত কেনেকৈ লাহোৰৰ পৰা লুধিয়ানালৈ আহিছিল সেই সমস্ত কাহিনী বৰ দুখেৰে কৈ গৈছিল। তেওঁৰ পিতৃ-মাতৃক হত্যা কৰা হৈছিল। আনকি তেওঁৰো জীয়াই থকাৰ আশা ক্ষীণ হৈ আহিছিল। চুবুৰীয়া মুছলমান পৰিয়াল এটাইহে তেওঁক আশ্ৰয় দিছিল। কেইবাদিনো সুৰক্ষিত স্থানত গোপনে ৰাখিসেই মুছলমান পৰিয়ালটোৱে ককাদেউতাকৰ আত্মীয়-স্বজনৰ সন্ধান কৰে আৰু তেওঁলোকৰ প্ৰচেষ্টাতে তেওঁ লুধিয়ানালৈ আহিবলৈ সক্ষম হয়।*

*তোমালোকে এনে কাহিনী আৰু শুনিছানে?*

*তোমালোকৰ ককা-আইতাসকলক স্বাধীনতাৰ দিনটোৰ আনন্দ, দেশ বিভাজনৰ দুখ-দুৰ্দশা আৰু স্বাধীন ভাৰতৰ পৰা তেওঁলোকৰ আশা-আকাংক্ষা কেনে আছিল আদি কথাবোৰ সুধি জানিবৰ চেষ্টা কৰিবাচোন।*


*কমেও দুটা এনেধৰণৰ গল্প লিখা।*

## দেশীয় ৰাজ্যসমূহৰ চামিলকৰণ ঃ (Integration of Princely States)

ইংৰাজ শাসনাধীন ভাৰতবৰ্ষত দুই ধৰণৰ অঞ্চল আছিল— বৃটিছ ভাৰতৰ প্ৰদেশ (British Indian Province) আৰু দেশীয় ৰাজ্য (Princely States)। বৃটিছ ভাৰতৰ প্ৰদেশসমূহ ইংৰাজ চৰকাৰৰ প্ৰত্যক্ষ নিয়ন্ত্ৰণাধীন আছিল। আনহাতে, সেই সময়ৰ ভাৰতবৰ্ষত সৰু-বৰ বহুতো প্ৰদেশ আছিল য'ত ৰজাই শাসন কৰিছিল আৰু এই ৰজাসকলে ইংৰাজৰ আধিপত্য স্বীকাৰ কৰিছিল। এনে দেশীয় ৰাজ্যসমূহৰ ৰজাসকলে ইংৰাজ চৰকাৰে নিৰ্দিষ্ট কৰা কৰ আদায় দিছিল আৰু এই ৰাজ্যসমূহক ইংলণ্ডৰ ৰাজমুকুটৰ তলতীয়া ৰাজ্য বুলি ধৰা হৈছিল। ইংৰাজ শাসনাধীন ভাৰতবৰ্ষৰ এক-তৃতীয়াংশ অঞ্চল এনে দেশীয় ৰাজ্য আছিল আৰু প্ৰতি ৪ জনৰ ১জন ভাৰতীয় এনে দেশীয় ৰাজ্যত বাস কৰিছিল।

### চামিলকৰণৰ সমস্যা

স্বাধীনতাৰ প্ৰাকমুহূৰ্তত ইংৰাজ চৰকাৰে ভাৰতত ইংৰাজ শাসনৰ অন্ত পৰাৰ লগে লগে দেশীয় ৰাজ্যসমূহৰ ওপৰত থকা বৃটিছ আধিপত্যৰো অন্ত পৰিব বুলি ঘোষণা কৰিছিল। ইংৰাজ চৰকাৰৰ এই ঘোষণাৰ লগে লগে সেই সময়ৰ ভাৰতত থকা মুঠ ৫৬৫ খন দেশীয় ৰাজ্য আইনগতভাৱে স্বাধীন হৈ পৰিল। ইংৰাজ চৰকাৰৰ মতে এই প্ৰদেশসমূহে নিজৰ ইচ্ছা অনুসৰি ভাৰত বা পাকিস্তানৰ লগত চামিল হ'ব পাৰে বা ইচ্ছা কৰিলে স্বাধীন হৈও থাকিব পাৰে। কিন্তু এই সিদ্ধান্ত ল'ব কোনে? প্ৰকৃততে এনে সিদ্ধান্ত লোৱাৰ অধিকাৰ থাকিব লাগিছিল তেনে প্ৰদেশৰ জনসাধাৰণৰ হাতত। কিন্তু এনে সিদ্ধান্ত গ্ৰহণৰ কৰ্তৃত্ব দিয়া হৈছিল প্ৰদেশসমূহৰ শাসনকৰ্তাসকলক। এইটো এটা যথেষ্ট গুৰুত্বপূৰ্ণ সমস্যা আছিল— যিটোৱে ঐক্যবদ্ধ ভাৰতৰ প্ৰতিয়েই ভাবুকিৰ সৃষ্টি কৰিছিল।




**Note :** This illustration is not a map drawn to scale and should not be taken to be an authentic depiction of India's external boundaries.




**লাহোৰ**
জাৰ্মানীৰ নিচিনাকৈ ভাৰত-পাকিস্তান পুনৰ ঐক্যবদ্ধ হ'ব নোৱাৰেনে? মই পুৱাৰ চাহ-জলপান অমৃতসৰত আৰু দুপৰীয়াৰ আহাৰ লাহোৰত খাব বিচাৰো।

আজি ভাৰত-পাকিস্তানে পৰস্পৰে পৰস্পৰক স্বাধীন ৰাষ্ট্ৰ হিচাপে সন্মান কৰি শান্তিপূৰ্ণভাৱে বস-বাস কৰাটো বেছি ভাল নহ'বনে?



ভাৰতৰ স্বাধীনতাৰ ঘোষণা কৰাৰ লগে লগেই এই সমস্যাটোৱে মূৰ দাঙি উঠিছিল। পোনপ্ৰথমে ট্ৰাভাংকোৰ নামৰ প্ৰদেশখনৰ শাসনকৰ্তাজনে ইংৰাজ শাসনৰ অৱসান হোৱাৰ পিছত স্বাধীন হৈ থকাৰ কথা ঘোষণা কৰিছিল।

ট্ৰাভাংকোৰৰ ৰজাই এই ঘোষণা কৰাৰ পিছদিনাই হায়দৰাবাদৰ নিজামেও স্বাধীন হৈ থকাৰ কথা ঘোষণা কৰিছিল।

ভূপাল প্ৰদেশৰ নৱাবেও সংবিধান সভাত অংশগ্ৰহণত অনিচ্ছা প্ৰকাশ কৰিছিল। দেশীয় ৰাজ্যবিলাকৰ শাসকসকলৰ এনে মনোভাবে স্বাধীনতা লাভৰ পিছত ভাৰত পুনৰ ভাগ হৈ ক্ষুদ্ৰ ক্ষুদ্ৰ স্বাধীন ৰাষ্ট্ৰ উৎপত্তি হোৱাৰ সম্ভাৱনা প্ৰকট কৰি তুলিছিল। ইয়াৰ লগে লগে দেশীয় ৰাজ্যসমূহৰ জনগণৰ বাবে গণতান্ত্ৰিক শাসন ব্যৱস্থা প্ৰতিষ্ঠা কৰাৰ আশা ক্ষীণ হৈ পৰিছিল। কিন্তু ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ মূল লক্ষ্যই আছিল ঐক্যবদ্ধ স্বাধীন ভাৰত গঢ়াৰ লগতে ভাৰতত গণতান্ত্ৰিক শাসন ব্যৱস্থা প্ৰৱৰ্তন কৰা। বেছিসংখ্যক দেশীয়ৰাজ্যৰে শাসন ব্যৱস্থা গণতান্ত্ৰিক নাছিল আৰু শাসনকৰ্তাসকলে জনগণক গণতান্ত্ৰিক অধিকাৰসমূহ প্ৰদান কৰিবও খোজা নাছিল।

> "ভাৰতৰ ইতিহাসৰ এক অতি গুৰুত্বপূৰ্ণ পৰ্যায়ত আমি আছোহক। সন্মিলিত প্ৰচেষ্টাৰে আমি দেশখনক এক মহত্বতম পৰ্যায়লৈ নিব পাৰো। আনহাতে ঐক্য-সংহতিৰ অভাৱে আমাক অনাকাংক্ষিত ধ্বংসৰ মুখলৈ লৈ যাব পাৰে। মই আশা কৰিছো যে ভাৰতৰ প্ৰদেশসমূহে এইটো সোনকালেই অনুভৱ কৰিব যে জনগণৰ সামূহিক স্বাৰ্থৰ খাতিৰত যদি আমি সকলোৱে সহযোগিতাৰে কাম নকৰো তেন্তে খাম-খেয়ালি আৰু নৈৰাজ্যই আমাৰ সৰু-ডাঙৰ সকলোকে গ্ৰাস কৰি পেলাব আৰু সম্পূৰ্ণ ধ্বংসৰ মুখলৈ লৈ যাব।"
>
> **চৰ্দাৰ বল্লভভাই পেটেল।**
> ১৯৪৭ চনত দেশীয় ৰাজ্যসমূহৰ শাসকসকললৈ লিখা চিঠিৰ কিয়দংশ।

### চৰকাৰৰ দৃষ্টিভংগী ঃ (Government's Approach)

ভাৰতৰ অন্তৰ্বৰ্তী চৰকাৰে যথেষ্ট দৃঢ়তাৰে এনে পৰিস্থিতিৰ সন্মুখীন হৈছিল। কোনো কাৰণতে যাতে ভাৰত পুনৰ বহু বিভক্ত হৈ নপৰে তাৰ বাবে চৰকাৰে এনে বিভাজনৰ সম্ভাৱনীয়তা থকা সকলো প্ৰস্তাৱৰে তীব্ৰ বিৰোধিতা কৰিছিল। ভাৰতীয় জাতীয় কংগ্ৰেছ দলৰ এনে কঠোৰ স্থিতিৰ বিপৰীতে মুছলীম লীগে দেশীয় ৰাজ্যসমূহক স্ব-নিৰ্বাচিত যিকোনো পথ গ্ৰহণৰ স্বাধীনতা প্ৰদানৰ পোষকতা কৰিছিল। স্বাধীন ভাৰতৰ প্ৰথমজন গৃহমন্ত্ৰী তথা সেই সময়ৰ উপ প্ৰধানমন্ত্ৰী চৰ্দাৰ বল্লভভাই পেটেলে সেই কঠিন সময়ছোৱাত এক ঐতিহাসিক ভূমিকা পালন কৰিছিল। গভীৰ দূৰদৃষ্টি সম্পন্ন কূটনীতিবিদ চৰ্দাৰ পেটেলে যথেষ্ট দৃঢ়তাৰে দেশীয় ৰাজ্যবিলাকৰ ৰজাসকলৰ সৈতে আলোচনা বিলোচনাত মিলিত হৈ প্ৰায়সংখ্যক শাসককে ভাৰতৰ লগত চামিল হ'বলৈ সৈমান কৰাইছিল। আজি হয়তো এইটো বৰ উজু কাম হেন লাগিব পাৰে। কিন্তু প্ৰকৃততে বহুসংখ্যক শক্তিশালী স্বাধীন শাসকক পতিয়ন নিওৱাটো আছিল এটা অত্যন্ত জটিল কাম যাৰ বাবে প্ৰয়োজন হৈছিল অতি কৌশলী আলাপ-আলোচনাৰ। তোমালোকে শুনি হয়তো আচৰিত হ'বা যে বৰ্তমানৰ উৰিষ্যাখনত ২৬খন সৰু-সুৰা ৰাজ্য আছিল। গুজৰাটৰ সৌৰাষ্ট্ৰ অঞ্চলত ১৪ খন ডাঙৰ ৰাজ্য, ১১৯ খন সৰু সৰু ৰাজ্য আৰু বহুসংখ্যক ভিন ভিন ধৰণৰ প্ৰশাসনীয় ব্যৱস্থা চলি আছিল।

এই জটিল সমস্যাটোৰ প্ৰতি চৰকাৰৰ দৃষ্টিভংগী গঢ় লৈ উঠিছিল মূলতঃ তিনিটা বিচাৰ বিবেচনাক কেন্দ্ৰ কৰি। প্ৰথমতে, গৰিষ্ঠ সংখ্যক দেশীয় ৰাজ্যৰ জনসাধাৰণে ভাৰতীয় সংঘত চামিল হোৱাৰ ইচ্ছা স্পষ্টভাৱে প্ৰকাশ কৰিছিল। দ্বিতীয়তে, ভাৰত চৰকাৰে এই দেশীয় ৰাজ্যসমূহৰ ভাষিক, আঞ্চলিক আৰু অন্যান্য স্বকীয়তাসমূহ অক্ষুণ্ণ ৰখাৰ ক্ষেত্ৰত যথেষ্ট নমনীয় স্থিতি গ্ৰহণ কৰিছিল। সেয়েহে এনে বহু অঞ্চলক কিছু কিছু ক্ষেত্ৰত স্ব-নিয়ন্ত্ৰণৰ অধিকাৰ প্ৰদান কৰা হৈছিল। ভাষিক, আঞ্চলিক আৰু অন্যান্য বিচিত্ৰতাসমূহ ৰক্ষাৰ হেতু চৰকাৰে শিষ্টাচাৰশীল আপোচকামী (accomodative) মনোভাব পোষণ কৰিছিল। তৃতীয়তে, দেশ বিভাজনে সৃষ্টি কৰা হত্যা-হিংসাৰ নাৰকীয়

পৰিস্থিতিৰ মাজত সম্ভাব্য পুনৰ বিভাজন ৰোধ কৰি এক ঐক্যবদ্ধ ভাৰত গঢ়াৰ কাৰ্যসূচীয়ে সৰ্বাধিক গুৰুত্ব লাভ কৰিছিল।

১৯৪৭ চনৰ ১৫ আগষ্টৰ আগে আগে শান্তিপূৰ্ণ আলাপ-আলোচনা তথা বুজা-বুজিৰ মাজেৰে প্ৰায়বিলাক দেশীয় ৰাজ্যই ভাৰতীয় সংঘত যোগাদন কৰে। দেশীয় ৰাজ্যসমূহৰ শাসকসকলে 'চামিলকৰণ দলিল' (Instrument of Accession)ত চহী কৰি ভাৰতীয় সংঘৰ লগত চামিল হৈছিল। অৱশ্যে জুনাগড়, হায়দৰাবাদ, কাশ্মীৰ আৰু মণিপুৰৰ দৰে কিছু সংখ্যক দেশীয় ৰাজ্যৰ চামিলকৰণত অন্য প্ৰদেশসমূহৰ তুলনাত বেছি জটিলতাই দেখা দিছিল। জুনাগড়ত ভাৰতীয় সংঘত চামিল হোৱা নোহোৱা বিষয়ৰ ওপৰত গণভোট অনুষ্ঠিত হৈছিল। এই গণভোটত জুনাগড়ৰ জনতাই ভাৰতীয় সংঘত চামিল হোৱাৰ সপক্ষে ৰায় দান কৰাৰ পিছত জুনাগড় ভাৰতৰ লগত চামিল হৈছিল। তোমালোকে এই পাঠ্যপুথিৰ অষ্টম অধ্যায়ত কাশ্মীৰ সমস্যাটোৰ বিষয়ে অধ্যয়ন কৰিবাহক। এতিয়া আমি হায়দৰাবাদ আৰু মণিপুৰৰ সমস্যাটো কেনেকৈ সমাধান কৰা হৈছিল সেই বিষয়ে আলোচনা কৰিম।



PIB ৰ সৌজন্যত

*ওপৰৰ ফটোত হায়দৰাবাদৰ নিজামৰ সৈতে চৰ্দাৰ বল্লভভাই পেটেলক দেখা গৈছে।*

**হায়দৰাবাদ ঃ**

পৰাধীন ভাৰতবৰ্ষত থকা দেশীয় ৰাজ্যসমূহৰ ভিতৰত আটাইতকৈ ডাঙৰ প্ৰদেশখন আছিল হায়দৰাবাদ। বৰ্তমানৰ মহাৰাষ্ট্ৰ, অন্ধ্ৰপ্ৰদেশ আৰু কৰ্ণাটকৰ কিছু কিছু অংশলৈকে বিস্তৃত হৈ থকা পুৰণি হায়দৰাবাদৰ শাসকজনক নিজাম বুলি কোৱা হৈছিল। সেই সময়ৰ হায়দৰাবাদৰ নিজামজন বিশ্বৰ আটাইতকৈ ধনৱন্ত ব্যক্তিসকলৰ মাজৰ এজন আছিল। যদিও হায়দৰাবাদ প্ৰদেশখনক চাৰিওপিনৰ পৰাই ভাৰতবৰ্ষৰ ভূখণ্ডই আগুৰি আছিল, তথাপি নিজামে হায়দৰাবাদ ভাৰতৰ লগত চামিল হোৱাৰ পৰিৱৰ্তে স্বাধীন হৈ থকাটোহে বিচাৰিছিল। ভাৰতৰ লগত চামিল হোৱা নোহোৱা বিষয়ক লৈ আলোচনা-বিলোচনা চলি থকাৰ মাজতে ১৯৪৭ চনৰ নৱেম্বৰ মাহত হায়দৰাবাদৰ নিজামে ভাৰতৰ লগত স্থিতাৱস্থা বাহাল ৰখাৰ বাবে এখন এবছৰীয়া চুক্তি কৰিছিল, যিখনক— 'Standstill agreement' বুলি কোৱা হৈছিল।

ইতিমধ্যেই হায়দৰাবাদৰ জনতাই নিজামৰ শাসনৰ বিৰুদ্ধে আৰম্ভ কৰা বিদ্ৰোহে এক শক্তিশালী ৰূপ লাভ কৰিছিল। বিশেষকৈ তেলেংগানা অঞ্চলৰ কৃষকসকলে নিজামৰ শাসনত দীৰ্ঘদিনৰ পৰা সন্মুখীন হৈ অহা দমন উৎপীড়নৰ বিৰুদ্ধে আৰম্ভ কৰা বিক্ষোভ এই সময়ছোৱাতে তীব্ৰতৰ হৈ পৰিছিল। হায়দৰাবাদ নগৰখনক কেন্দ্ৰ কৰি গঢ়ি উঠা এই আন্দোলনত যথেষ্ট সংখ্যক মহিলাই অংশগ্ৰহণ কৰা দেখা গৈছিল। কমিউনিষ্ট দলৰ লগতে হায়দৰাবাদ কংগ্ৰেছেও এই আন্দোলনৰ নেতৃত্ব বহন কৰিছিল। ক্ৰমান্বয়ে ব্যাপক ৰূপ ধাৰণ কৰা এই আন্দোলন দমন কৰিবলৈ হায়দৰাবাদৰ নিজামে 'ৰাজাকাৰ্চ' (Razakars) নামৰ কুখ্যাত অৰ্ধ-সামৰিক বাহিনীটো





***চৰ্দাৰ বল্লভভাই পেটেল** (১৮৭৫-১৯৫০)ঃ চৰ্দাৰ পেটেল স্বাধীনতা সংগ্ৰামৰ এজন অগ্ৰণী নেতা আছিল। গান্ধীৰ অনুগামী পেটেল ভাৰতীয় জাতীয় কংগ্ৰেছ দলৰ শীৰ্ষ পৰ্যায়ৰ নেতা আছিল। স্বাধীন ভাৰতৰ প্ৰথম গৃহমন্ত্ৰী আছিল। দেশীয় ৰাজ্যসমূহ ভাৰতীয় সংঘত চামিলকৰণৰ ক্ষেত্ৰত তেওঁ অতি গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। পেটেল ভাৰতৰ সংবিধানসভাৰ বিভিন্ন গুৰুত্বপূৰ্ণ সমিতি— যেনে মৌলিক অধিকাৰ সমিতি, সংখ্যালঘু সম্প্ৰদায় সমিতি আদিৰ সদস্য আছিল।*

নিয়োগ কৰিছিল। অতি নৃশংস স্বভাৱৰ আৰু সাম্প্ৰদায়িক মনোভাবাপন্ন এই অৰ্ধ-সামৰিক বাহিনীটোৱে অ-মুছলমানসকলক লক্ষ্য কৰি লৈ ব্যাপক হত্যা-ধৰ্ষণ তথা লুট-পাত আৰম্ভ কৰে। এনে বিষম পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ ভাৰত চৰকাৰে সেনা-বাহিনী নিয়োগ কৰে। ১৯৪৮ চনৰ ছেপ্টেম্বৰ মাহত ভাৰতীয় সেনাই নিজামৰ সৈন্য-বাহিনীক নিয়ন্ত্ৰণ কৰিবলৈ অগ্ৰসৰ হয়। ছেগা-চোৰোকাকৈ কেইবাদিনো চলা যুদ্ধৰ অন্ততঃ নিজামে আত্ম-সমৰ্পণ কৰে আৰু ইয়াৰ লগে লগে হায়দৰাবাদ ভাৰতৰ লগত চামিল হয়।



*দেশীয় ৰাজ্যসমূহ ভাৰতৰ লগত চামিল হোৱাৰ পিছত শ শ ৰজা-ৰাণী আৰু ৰাজকুমাৰ-ৰাজকুমাৰীসকলৰ কেনে অৱস্থা হৈছিল সেইটো ভাবি মই আচৰিত হওঁ। সাধাৰণ নাগৰিক হৈ পৰাৰ পিছত তেওঁলোকে পিছৰ জীৱনছোৱা কেনেকৈ জীয়াই আছিল?*

**মণিপুৰ ঃ** স্বাধীনতাৰ দিন-ছেৰেক পূৰ্বে, ভাৰত চৰকাৰে মণিপুৰৰ আভ্যন্তৰীণ স্বতন্ত্ৰতা অক্ষুণ্ণ ৰক্ষাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰাৰ পিছত সেই সময়ৰ মণিপুৰৰ মহাৰাজা বোধচন্দ্ৰই ভাৰত চৰকাৰৰ লগত 'চামিলকৰণ দলিল' (Instrument of Accession) ত চহী কৰিছিল। ইয়াৰ পিছত তীব্ৰ জনমতৰ ওচৰত সেও মানি মহাৰাজা বোধচন্দ্ৰই ১৯৪৮ চনৰ জুন মাহত ৰাজ্যখনত নিৰ্বাচন অনুষ্ঠিত কৰিছিল। ইয়াৰ লগে লগে মণিপুৰত সাংবিধানিক ৰাজতন্ত্ৰৰ প্ৰচলন আৰম্ভ হয় আৰু মণিপুৰ সাৰ্বজনীন প্ৰাপ্তবয়স্ক ভোটাধিকাৰৰ ভিত্তিত নিৰ্বাচন অনুষ্ঠিত কৰা স্বাধীন ভাৰতৰ প্ৰথমখন ৰাজ্য হিচাপে পৰিগণিত হৈছিল।

নৱ-নিৰ্বাচিত মণিপুৰ বিধানসভাত ভাৰতৰ লগত চামিল হোৱা প্ৰসংগক কেন্দ্ৰ কৰি সদস্যসকলৰ মাজত তীব্ৰ মত-পাৰ্থক্যই গা কৰি উঠিছিল। ভাৰতীয় জাতীয় কংগ্ৰেছৰ মণিপুৰ শাখাই ভাৰতৰ লগত চামিলকৰণৰ সপক্ষে দৃঢ়মত পোষণ কৰিছিল। এনে পৰিস্থিতিৰ মাজতে ভাৰত চৰকাৰে মণিপুৰৰ মহাৰাজাক ভাৰতৰ লগত চামিল হ'বলৈ সৈমান কৰিছিল। মণিপুৰ বিধানসভাত কোনোধৰণৰ আলোচনা নকৰাকৈয়ে, ১৯৪৯ চনৰ ছেপ্টেম্বৰ মাহত মহাৰাজা বোধচন্দ্ৰই ভাৰত চৰকাৰৰ লগত চামিলকৰণ চুক্তিত স্বাক্ষৰ কৰিছিল। জনগণৰ নিৰ্বাচিত প্ৰতিনিধিৰে গঠিত বিধানসভাত কোনোধৰণৰ আলোচনা-বিলোচনা নকৰাকৈয়ে মণিপুৰৰ মহাৰাজাই গ্ৰহণ কৰা এনে সিদ্ধান্তৰ বিৰুদ্ধে মণিপুৰত তীব্ৰ ক্ষোভৰ সৃষ্টি হয় আৰু আজিও মণিপুৰত সেই ক্ষোভৰ প্ৰভাৱ অনুভূত হৈ থাকে।




*এই ব্যংগচিত্ৰখনে দেশীয় ৰাজ্যসমূহত জনসাধাৰণৰ লগত শাসকসকলৰ সম্পৰ্ক আৰু এই ৰাজ্যসমূহ ভাৰতৰ লগত চামিল কৰাৰ ক্ষেত্ৰত চৰ্দাৰ পেটেলৰ দৃষ্টিভংগী ফুটাই তুলিছে।*

## ৰাজ্যসমূহৰ পুনৰগঠন ঃ (Reorganisation of States)

ভাৰতবৰ্ষত জাতিগঠন প্ৰক্ৰিয়াটো দেশ-বিভাজন আৰু দেশীয় ৰাজ্যসমূহৰ চামিলকৰণৰ লগে লগে সমাপ্ত হোৱা নাছিল। দেশীয় ৰাজ্যসমূহ ভাৰতীয় সংঘত চামিল হোৱাৰ পিছত ভাৰতীয় অংগ-ৰাজ্যসমূহৰ মাজত আভ্যন্তৰীণ সীমা নিৰ্ধাৰণক কেন্দ্ৰ কৰি এটা জটিল সমস্যাই গা কৰি উঠিছিল। ৰাজ্যসমূহৰ মাজৰ সীমা নিৰ্ধাৰণ কৰাটো কেৱল প্ৰশাসনীয় বিভাজন নাছিল। আভ্যন্তৰীণ সীমা নিৰ্ধাৰণ কৰোঁতে অত্যন্ত সাৱধানতা অৱলম্বন কৰিবলগীয়া হৈছিল— যাতে এই প্ৰক্ৰিয়াই আমাৰ দেশৰ ভাষিক আৰু সাংস্কৃতিক ভিন্নতাক প্ৰতিবিম্বিত কৰাৰ লগতে ভাৰতৰ ঐক্য-সংহতিতো কোনো আঘাত নকৰে।

ইংৰাজৰ শাসনত ৰাজ্যসমূহৰ সীমা নিৰ্ধাৰণ কৰা হৈছিল মূলতঃ প্ৰশাসনীয় সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি। কোনো ভূ-খণ্ড বৃটিছে নিজৰ নিয়ন্ত্ৰণাধীনলৈ অনাৰ সময়ত সৃষ্টি হোৱা বা দেশী ৰাজ্যসমূহৰ শাসকসকলে মানি চলা সীমাকে ইংৰাজ চৰকাৰে মানি লৈছিল।

ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ নেতাসকলে ইংৰাজ চৰকাৰে নিৰ্ধাৰণ কৰা এনে সীমাক মানি লোৱা নাছিল আৰু স্বাধীন ভাৰতত ভাষাৰ ভিত্তিত ৰাজ্য গঠনৰ প্ৰতিশ্ৰুতি প্ৰদান কৰিছিল। ১৯২০ চনত ভাৰতীয় জাতীয় কংগ্ৰেছৰ নাগপুৰ অধিৱেশনত ভাষাৰ ভিত্তিত ৰাজ্য পুনৰগঠনৰ নীতিটোক স্বীকৃতি দিয়া হৈছিল আৰু প্ৰকৃততে নাগপুৰ অধিৱেশনৰ পিছৰে পৰা ভাৰতীয় জাতীয় কংগ্ৰেছ দলটো নিজেই ভাষাৰ ভিত্তিত পুনৰগঠিত হৈছিল। পৰাধীন ভাৰতত ইংৰাজে প্ৰশাসনীয় সুবিধাৰ্থে সৃষ্টি কৰা সীমাক নেওচি বহুতো প্ৰদেশ কংগ্ৰেছ কমিটি ভাষিক মণ্ডলৰ ভিত্তিত সৃষ্টি কৰা হৈছিল।

কিন্তু দেশ বিভাজন আৰু স্বাধীনতা লাভৰ পিছতেই পৰিস্থিতিৰ পট-পৰিৱৰ্তন আৰম্ভ হয়। ভাষাৰ ভিত্তিত ৰাজ্যসমূহৰ পুনৰগঠনে ভাৰতৰ অখণ্ডতাৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰিব পাৰে বুলি আমাৰ নেতাসকল শংকিত হৈ পৰিছিল। লাহে লাহে এইটো অনুভৱ কৰা হ'ল যে ভাষা ভিত্তিত ৰাজ্য পুনৰগঠনৰ বিষয়টোৱে প্ৰকৃততে দেশে সন্মুখীন হোৱা আৰ্থ-সামাজিক দিশৰ জ্বলন্ত সমস্যাৰাজিৰ পৰা আমাৰ দৃষ্টি কাঢ়ি নিছে। সেয়েহে আমাৰ দেশৰ কেন্দ্ৰীয় নেতৃত্বই এই বিষয়টো সাময়িকভাৱে স্থগিত ৰখাৰ সিদ্ধান্ত লয়। অৱশ্যে দেশীয় ৰাজ্যসমূহৰ ভৱিষ্যত সম্বন্ধে তেতিয়ালৈকে কোনো চূড়ান্ত সিদ্ধান্তত উপনীত হ'ব নোৱাৰাৰ লগতে দেশ-বিভাজনৰ দুঃসহ স্মৃতি তেতিয়া সজীৱ হৈ থকাৰ কাৰণেও কেন্দ্ৰীয় চৰকাৰে ৰাজ্য পুনৰগঠনৰ বিষয়টো স্থগিত ৰখাৰ সিদ্ধান্ত ল'বলগীয়া হৈছিল।

স্থানীয় নেতাসকলৰ লগতে জনসাধাৰণেও কেন্দ্ৰীয় চৰকাৰৰ এই সিদ্ধান্তৰ তীব্ৰ বিৰোধিতা কৰিছিল। বৰ্তমানৰ তামিলনাডুৰ লগতে অন্ধ্ৰপ্ৰদেশ, কৰ্ণাটক আৰু কেৰেলাৰ কিছু কিছু অংশক লৈ গঠিত হোৱা তাহানিৰ মাদ্ৰাজ প্ৰদেশৰ তেলেগুভাষী অধ্যুষিত অঞ্চলত কেন্দ্ৰীয় চৰকাৰৰ এই সিদ্ধান্তৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ আৰম্ভ হয়। তেলেগুভাষী লোকে বসবাস কৰা অঞ্চলসমূহ মাদ্ৰাজ প্ৰদেশৰ পৰা পৃথক কৰি অন্ধ্ৰ নামৰ এখন নতুন প্ৰদেশ গঢ়াৰ উদ্দেশ্য আগত ৰাখি 'বিশাল অন্ধ্ৰ' নামৰ আন্দোলনটো আৰম্ভ হৈছিল। অন্ধ্ৰ অঞ্চলৰ সকলো ৰাজনৈতিক শক্তিয়েই তেতিয়াৰ মাদ্ৰাজ প্ৰদেশখনক ভাষাৰ ভিত্তিত পুনৰগঠনৰ দাবী উত্থাপন কৰিছিল।

*'যদি ভাষিক ৰাজ্য গঠন কৰা হয় তেন্তে ই আঞ্চলিক ভাষাসমূহকো উদ্‌গনি যোগাব। শিক্ষাৰ মাধ্যম হিচাপে ভাৰতৰ সকলো অঞ্চলতো হিন্দুস্তানী ভাষা প্ৰয়োগ কৰাটো অসম্ভৱ। অৱশ্যে ইংৰাজী ভাষাক এইটো উদ্দেশ্যত ব্যৱহাৰ কৰাটো তাতোকৈও বেছি অসম্ভৱ।'*

মহাত্মা গান্ধী
জানুৱাৰী, ১৯৪৮

*পুনৰ গঠনৰ পিছৰ ভাৰতৰ প্ৰশাসনীয় মেপ, ১৯৬১ চন।*




*প্ৰকৃত জোখ-মাপৰ ভিত্তিত মেপখন অঁকা হোৱা নাই। গতিকে মেপখনে ভাৰতৰ বহিঃচাৰিসীমা প্ৰকাশ নকৰে।*


মেপখন ভালকৈ নিৰীক্ষণ কৰি তলৰ প্ৰশ্নসমূহৰ উত্তৰ দিয়া—

১। তলত দিয়া ৰাজ্যসমূহ কোনকেইখন পুৰণি ৰাজ্যৰ পৰা পৃথক কৰি আনি সৃষ্টি কৰা হৈছিল ঃ

| | |
|---|---|
| গুজৰাট | হাৰিয়ানা |
| মেঘালয় | ছত্তিছগড় |

২। ভাৰত বিভাজনে ক্ষতিগ্ৰস্ত কৰা দুখন ৰাজ্যৰ নাম লিখা।

৩। এনে দুখন ৰাজ্যৰ নাম লিখা যি দুখন পূৰ্বতে কেন্দ্ৰীয় শাসিত অঞ্চল আছিল।




*'অস্তিত্ব ৰক্ষাৰ সংগ্ৰাম' শীৰ্ষক ব্যংগ চিত্ৰখনত (১৯৫৩ চনত প্ৰকাশিত) ভাষা ভিত্তিত ৰাজ্যগঠনৰ দাবীক কেন্দ্ৰ কৰি সৃষ্টি হোৱা উত্তপ্ত পৰিস্থিতিক সুন্দৰকৈ তুলি ধৰা হৈছে।*

সেই সময়ত কেন্দ্ৰীয় চৰকাৰত দেখা দিয়া অস্থিৰতাই এনেবোৰ আন্দোলন গা-কৰি উঠাত সহায় কৰিছিল। গান্ধীৰ অনুগামী জ্যেষ্ঠ কংগ্ৰেছ নেতা পট্টি শ্ৰীৰামুলুয়ে কেন্দ্ৰীয় চৰকাৰৰ এনে সিদ্ধান্তৰ বিৰোধিতা কৰি অনিৰ্দিষ্টকালীন উপবাস আৰম্ভ কৰে আৰু ৫৬দিন উপবাসে থকাৰ পিছত তেওঁৰ মৃত্যু হয়। শ্ৰীৰামুলুৰ মৃত্যুয়ে সমগ্ৰ অন্ধ্ৰ অঞ্চলকে জোকাৰি যায় আৰু সমগ্ৰ অঞ্চলটোত হিংসাত্মক প্ৰতিবাদে গা-কৰি উঠে। হাজাৰ হাজাৰ জনতাই বিক্ষোভ প্ৰদৰ্শন কৰিবলৈ ৰাজপথলৈ উলাই আহে। উন্মুক্ত জনতাক ছত্ৰভংগ দিয়াবলৈ আৰক্ষী বাহিনীয়ে গুলীচালনা কৰাত বহু লোকৰ মৃত্যু ঘটে আৰু বহুতো ঘূণীয়া হয়। এনে পৰিস্থিতিৰ বিৰুদ্ধাচাৰণ কৰি মাদ্ৰাজত কেইবাজনো বিধায়কে পদত্যাগ কৰে। এনে অশান্ত পৰিস্থিতিৰ মাজতে অৱশেষত ১৯৫২ চনৰ ডিচেম্বৰ মাহত প্ৰধানমন্ত্ৰীয়ে অন্ধ্ৰ নামৰ এখন নতুন ৰাজ্য গঠনৰ সিদ্ধান্তৰ কথা ঘোষণা কৰে।

ভাষাৰ ভিত্তিত অন্ধ্ৰপ্ৰদেশ গঠন কৰাৰ লগে লগে ভাৰতৰ চুকে-কোণে ভাষাৰ ভিত্তিত ৰাজ্য পুনৰগঠনৰ দাবীয়ে এক বিশেষ গতি লাভ কৰিলে। সমগ্ৰ



নেহৰুকে আদি কৰি স্বাধীনতা সংগ্ৰামৰ নেতাসকল ভাৰতত খুবেই জনপ্ৰিয় আছিল। কিন্তু, ভাৰতৰ জনসাধাৰণে নেহৰু আৰু অন্য নেতাসকলে বিৰোধিতা কৰা সত্বেও ভাষা-ভিত্তিক ৰাজ্যগঠনৰ দাবীত আন্দোলন কৰিবলৈ ইতঃস্তত কৰা নাছিল। এইটো বৰ আমোদজনক কথা নহয়নে?





**পট্টি শ্ৰীৰামুলু (১৯০১-১৯৫২)ঃ** গান্ধীবাদী নেতা পট্টি শ্ৰীৰামুলুয়ে চৰকাৰী চাকৰি ত্যাগ কৰি আহি মহাত্মা গান্ধীৰ নেতৃত্বত চলা লোণ সত্যাগ্ৰহ আন্দোলনত অংশগ্ৰহণ কৰিছিল। সত্যাগ্ৰহ আন্দোলনৰ এজন সক্ৰিয় কৰ্মী শ্ৰীৰামুলুয়ে ১৯৪৬ চনত সেই সময়ৰ মাদ্ৰাজ প্ৰদেশৰ মন্দিৰসমূহত দলিত সম্প্ৰদায়ৰ লোকৰ প্ৰৱেশৰ ক্ষেত্ৰত থকা নিষিদ্ধতাৰ বিৰুদ্ধে অনশনত বহিছিল। তেলেগুভাষীসকলৰ বাবে পৃথক অন্ধ্ৰপ্ৰদেশৰ দাবীত তেওঁ ১৯৫২ চনৰ ১৯ অক্টোবৰৰ পৰা আমৰণ অনশনৰ মাজতে সেই বছৰৰে ১৫ ডিচেম্বৰত তেওঁৰ মৃত্যু হয়।



*“জিন (আৰবীয় লোক-সাহিত্যত উল্লেখ থকা এক ধৰণৰ প্ৰেতাত্মা) টোক ফুচুলাই উভতাই অনা হ’ল।”*
*১৯৫৬ চনত প্ৰকাশিত এই ব্যংগচিত্ৰখনত এইটো প্ৰশ্ন কৰা হৈছে যে ৰাজ্য পুনৰগঠন আয়োগত ভাষা নামৰ জিনটো থাকিবইনে?*

ভাৰততে এই আন্দোলনে তীব্ৰ ৰূপ ধাৰণ কৰে। কেন্দ্ৰীয় চৰকাৰে বিষয়টো পুংখানুপুংখভাৱে অধ্যয়ন কৰি পৰামৰ্শ আগবঢ়াবলে। ১৯৫৩ চনত ৰাজ্য পুনৰগঠন আয়োগ গঠন কৰে। আয়োগে ইয়াৰ পৰামৰ্শৱলীত ভাষা-ভিত্তিত ৰাজ্য পুনৰগঠনৰ প্ৰস্তাৱটো মানি লৈছিল। ৰাজ্য পুনৰগঠন আয়োগৰ পৰামৰ্শাৱলীৰ ভিত্তিতেই ১৯৫৬ চনত ৰাজ্য পুনৰগঠন আইনখন প্ৰণয়ন কৰা হয়। এই আইনখনৰ আধাৰতে ১৪ খন ৰাজ্য আৰু ৬ খন কেন্দ্ৰীয় শাসিত অঞ্চল নতুনকৈ সৃষ্টি কৰা হয়।

স্বাধীনতাৰ ঠিক পিছৰ সময়খিনিত এনে এটা ধাৰণাই গা-কৰি উঠিছিল যে পৃথক ৰাজ্যৰ দাবীয়ে ভাৰতৰ অখণ্ডতাৰ প্ৰতিয়েই ভাবুকিৰ সৃষ্টি কৰিব। এইটো ভবা হৈছিল যে ভাষাৰ ভিত্তিত ৰাজ্যগঠনে পৃথকতাবাদী মনোভাবক উদ্‌গনি যোগাব আৰু ই নতুন ৰাষ্ট্ৰখন (ভাৰত)ৰ ওপৰত যথেষ্ট হেঁচাৰ সৃষ্টি কৰিব। কিন্তু জনগণৰ ব্যাপক দাবীৰ সন্মুখত সেও মানি চৰকাৰৰ শীৰ্ষ নেতৃত্বই অৱশেষত ভাষা ভিত্তিত ৰাজ্য গঠনৰ প্ৰস্তাৱটোৰ সপক্ষে সিদ্ধান্ত গ্ৰহণ কৰে। এইটো আশা কৰা হৈছিল যে ভাৰতৰ বিভিন্ন প্ৰান্তত ভাষিক বা আঞ্চলিক ভিত্তিত সৃষ্টি হোৱা দাবীসমূহ যদি বিচাৰ-বিবেচনাৰ বাবে গ্ৰহণ কৰা হয় তেন্তে বিভাজনৰ ভয়ো হ্ৰাস পাব আৰু পৃথকতাবাদী মনোভাবো কমিব। ইয়াৰোপৰি ভাষা-ভিত্তিক ৰাজ্যগঠনৰ দাবীৰ লগতে আঞ্চলিক দাবীসমূহ বিবেচনাৰ্থে গ্ৰহণ কৰা কাৰ্যই ভাৰতীয় ৰাজনৈতিক ব্যৱস্থাটোক অধিক গণতান্ত্ৰিক ৰূপ দিব বুলিও আশা কৰা হৈছিল।




সি যি কি নহওক, ভাষা-ভিত্তিত ৰাজ্য গঠনে আজি ৫০ বছৰৰো অধিককাল অতিক্ৰম কৰিলে। এই সময়ছোৱাৰ ইতিহাসে এইটো কথা প্ৰকাশ কৰিছে যে ভাষা-ভিত্তিত ৰাজ্যগঠন প্ৰক্ৰিয়াই ভাৰতৰ ৰাজনৈতিক তথা গণতান্ত্ৰিক ব্যৱস্থাটোৰ লগতে ৰাজনৈতিক নেতৃত্বৰ দিশতো কিছুমান মৌলিক পৰিৱৰ্তন সাধন কৰিছে। পূৰ্বতে ইংৰাজী ভাষাত ব্যুপত্তি থকা এমুঠিমান লোকেহে ৰাজনীতি আৰু ক্ষমতাৰ খেলত অংশ লোৱাৰ সুবিধা পাইছিল। কিন্তু বৰ্তমান ই সকলোৰে বাবে মুকলি হৈ পৰিল। ভাষা-ভিত্তিত ৰাজ্য পুনৰগঠনে ৰাজ্যসমূহৰ মাজত আভ্যন্তৰীণ সীমা নিৰ্ধাৰণৰ ক্ষেত্ৰতো কিছুমান সাধাৰণ ভিত্তি (Uniform basis) তৈয়াৰ কৰাত সহায় কৰিছিল। পূৰ্বতে বহুতে ভবাৰ দৰে ভাষা-ভিত্তিত ৰাজ্য গঠনে ভাৰতৰ অখণ্ডতাৰ প্ৰতি কোনো ধৰণৰ ভাবুকিৰ সৃষ্টি নকৰিলে, বৰং ই ভাৰতৰ জাতীয় সংহতিক অধিক সুদৃঢ়হে কৰিলে।


সবাৰোপৰি ভাষা-ভিত্তিক ৰাজ্য গঠনৰ জৰিয়তে ভাৰতে ভিন্নতাৰ নীতি (Principle of Diversity) ক গ্ৰহণ কৰাটো সুস্পষ্ট হৈ পৰিল। ভাৰতে গণতান্ত্ৰিক ব্যৱস্থা গ্ৰহণ কৰা মানে কেৱল এইটো নহয় যে ভাৰতৰ এখন গণতান্ত্ৰিক ভাৱধাৰাৰে পুষ্ট সংবিধান আছে বা ভাৰতত এটা নিৰ্দিষ্ট সময়ৰ মূৰে মূৰে নিৰ্বাচন অনুষ্ঠিত হয়। গণতন্ত্ৰই ইয়াতকৈ বহু বেছি কথা সাঙুৰি লয়। আমাৰ মাজত থকা ভাষিক, ধৰ্মীয় বা আঞ্চলিক ভিন্নতা তথা মত-পাৰ্থক্যসমূহ স্বীকাৰ কৰা, এনে পৰস্পৰ বিৰোধী ধ্যান-ধাৰণাৰ উপস্থিতি মানি লোৱা আৰু সহ্য কৰিবলৈ শিকাটো আমাৰ গণতন্ত্ৰৰ এটা অতি উল্লেখযোগ্য দিশ। অন্য অৰ্থত গণতন্ত্ৰই আমাক চিন্তা-চৰ্চা, ধ্যান-ধাৰণা, আদৰ্শ আদিৰ লগতে জীৱন-ধাৰণ প্ৰক্ৰিয়াৰ ভিন্নতাক তথা বহুত্ববাদক আদৰি লোৱাটো বুজায়। পিছৰ পৰ্যায়ত ভাৰতীয় ৰাজনীতি বহুলাংশে মূলতঃ এইটো পৰিকাঠামোৰ ভিতৰতে চলিছিল।

### নতুন ৰাজ্য গঠন ঃ এক ক্ষিপ্ৰ অৱলোকন

ভাষা ভিত্তিক ৰাজ্যগঠনৰ নীতিটো মানি লোৱাৰ অৰ্থ এইটো নাছিল যে ততালিকে ভাৰতৰ সকলো ৰাজ্য ভাষাৰ ভিত্তিত গঠন কৰিব লাগিব। সেই সময়ত বোম্বে প্ৰদেশত দ্বি-ভাষিক (Bilingual) ৰাজ্যৰ পৰীক্ষা-নিৰীক্ষাও চলোৱা হৈছিল— য'ত গুজৰাটী আৰু মাৰাঠী ভাষীসকল একেলগে আছিল। কিন্তু ১৯৬০ চনত হোৱা এই গণ আন্দোলনৰ পিছত মাৰাঠী ভাষী অধ্যুষিত অঞ্চলক লৈ মহাৰাষ্ট্ৰ আৰু গুজৰাটী ভাষী অধ্যুষিত অঞ্চলসমূহক লৈ গুজৰাট প্ৰদেশ গঠন কৰা হৈছিল। সেই সময়ৰ পাঞ্জাৱ প্ৰদেশতো হিন্দী আৰু পঞ্জাৱী ভাষী লোক একেলগে আছিল। যদিও পঞ্জাৱীভাষী লোকসকলে এখন পৃথক ৰাজ্যৰ দাবী উত্থাপন কৰি আহিছিল, ১৯৫৬ চনত অন্য ৰাজ্যসমূহ সৃষ্টি কৰা সময়ত এই দাবী পূৰণ কৰা হোৱা নাছিল। ১৯৬৬ চনতহে বৰ্তমানৰ হাৰিয়ানা আৰু হিমাচল প্ৰদেশক পুৰণি পাঞ্জাৱ প্ৰদেশৰ পৰা পৃথক কৰা হৈছিল। আৰু ইয়াৰ লগে লগে পঞ্জাৱী ভাষীসকলৰ বাবে বৰ্তমানৰ পাঞ্জাৱ প্ৰদেশখনৰ সৃষ্টি হৈছিল।

১৯৭২ চনত ভাৰতৰ উত্তৰ-পূব প্ৰান্তত ৰাজ্য পুনৰগঠন বিষয়ক এলানি গুৰুত্বপূৰ্ণ ঘটনা সংঘটিত হৈছিল। ১৯৭২ চনতে অসমৰ পৰা এটা অংশ পৃথক কৰি নি বৰ্তমানৰ মেঘালয়ৰ সৃষ্টি কৰা হৈছিল। সেই বছৰেই মণিপুৰ আৰু ত্ৰিপুৰাইয়ো পৃথক ৰাজ্যৰ মৰ্যাদা লাভ কৰিছিল। ১৯৮৭ চনত অৰুণাচল প্ৰদেশ আৰু মিজোৰামৰ সৃষ্টি হৈছিল। অৱশ্যে ইয়াৰ বহু আগতেই (১৯৬৩ চনত) নাগালেণ্ডে পৃথক ৰাজ্যৰ মৰ্যাদা লাভ কৰিছিল।

অৱশ্যে এইখিনিতে আমি এটা কথা মনত ৰখা ভাল যে পিছৰ পৰ্যায়ত কেৱল ভাষায়েই ৰাজ্যগঠনৰ মূল আধাৰ হৈ আৰু নাথাকিল। সাংস্কৃতিক ভিন্নতা, পৃথক আঞ্চলিক চৰিত্ৰ, সকলো অঞ্চলৰ সমান বিকাশ নোহোৱাৰ অভিযোগ আদিক কেন্দ্ৰ কৰি পৃথক ৰাজ্যৰ দাবী উত্থাপন হ'বলৈ আৰম্ভ হয়। এনে ধৰণৰ অভিযোগৰ ভিত্তিতেই ২০০০ চনত ঝাৰখণ্ড, ছত্তিছগড় আৰু উত্তৰাঞ্চল নামৰ নতুন ৰাজ্যৰ সৃষ্টি হয়। অৱশ্যে ৰাজ্য পুনৰগঠনৰ কাহিনীটোৰ ইয়াতে অন্ত পৰা নাই। ভাৰতৰ বিভিন্ন প্ৰান্তত এতিয়াও পৃথক সৰু সৰু ৰাজ্যৰ দাবীত আন্দোলন চলি আছে। এনে আন্দোলন বিলাকৰ ভিতৰত তেলেংগানা ৰাজ্যৰ দাবীত অন্ধ্ৰপ্ৰদেশত, বিদৰ্ভ ৰাজ্যৰ দাবীত মহাৰাষ্ট্ৰত আৰু উত্তৰ প্ৰদেশৰ পশ্চিম অঞ্চলৰ লগতে পশ্চিমবংগৰ পূব প্ৰান্তত চলি থকা আন্দোলন আদি উল্লেখযোগ্য।



# প্ৰশ্নাৱলী

১। দেশ বিভাজন বিষয়ক তলত দিয়া কোনটো ভাষ্য ভুল?

(ক) দেশ বিভাজন দ্বি-জাতিতত্ত্বৰ ফচল আছিল।

(খ) পাঞ্জাৱ আৰু বংগদেশক ধৰ্মৰ ভিত্তিত ভাগ কৰা হৈছিল।

(গ) পূব পাকিস্তান অৰু পশ্চিম পাকিস্তান সংলগ্ন হৈ থকা নাছিল।

(ঘ) দেশ বিভাজনৰ লগত জনসাধাৰণক দেশান্তৰ কৰাৰ এখন আঁচনি অন্তৰ্ভুক্ত কৰা হৈছিল।

২। নিম্নলিখিত নীতিসমূহৰ লগত ঘটনাসমূহ সংযুক্ত কৰা ঃ

| | |
|---|---|
| (ক) ধৰ্মৰ ভিত্তিত সীমা নিৰ্ধাৰণ | (i) ভাৰত আৰু বাংলাদেশ |
| (খ) ভাষাৰ ওপৰত ভিত্তি কৰি সীমা নিৰ্ধাৰণ | (ii) ভাৰত আৰু পাকিস্তান |
| (গ) ভৌগোলিক অৱস্থিতিৰ ওপৰত ভিত্তি কৰি দেশৰ ভিতৰতে সীমা অংকন কৰা | (iii) ঝাৰখণ্ড আৰু ছত্তিছগড় |
| (ঘ) ৰাজনৈতিক আৰু প্ৰশাসনীয় ভিত্তিত দেশৰ ভিতৰতে পৃথক সীমা অংকন কৰা | (iv) হিমাচল প্ৰদেশ আৰু উত্তৰাখণ্ড। |

৩। ৰাজ্যসমূহৰ নক্সাসহ বৰ্তমান ভাৰতৰ ৰাজনৈতিক মানচিত্ৰখন অংকন কৰি তলত দিয়া দেশীয় ৰাজ্যসমূহৰ অৱস্থিতি দেখুওৱা ঃ

| | |
|---|---|
| (ক) জুনাগড় | (খ) মণিপুৰ |
| (গ) মাইচ'ৰ | (ঘ) গোৱালিয়ৰ। |

৪। তলৰ ভাষ্য দুটা মন দি পঢ়া—

**বিস্ময় ঃ** "দেশীয় ৰাজ্যসমূহ ভাৰতৰ লগত চামিল হোৱাৰ লগে লগে গণতান্ত্ৰিক ব্যৱস্থা এই ৰাজ্যসমূহলৈ সম্প্ৰসাৰিত হয়।"

**ইন্দ্ৰপ্ৰীত ঃ** "মই বিষয়টোত একমত নহয়। কাৰণ দেশীয় ৰাজ্যসমূহ ভাৰতৰ লগত চামিলকৰণৰ ক্ষেত্ৰত শক্তি প্ৰয়োগ কৰা হৈছিল। আৰু গণতন্ত্ৰ স্থাপন কৰা সম্ভৱ কেৱল সহমতৰ যোগেদিহে।"

দেশীয় ৰাজ্যসমূহ ভাৰতীয় সংঘত চামিলকৰণ প্ৰক্ৰিয়া তথা এই বিষয়ত দেশীয় ৰাজ্যসমূহৰ জনগণৰ প্ৰতিক্ৰিয়া সন্দৰ্ভত তোমাৰ মতামত কেনে?

৫। ১৯৪৭ চনৰ ১৫ আগষ্টত গান্ধী আৰু নেহৰুৱে কোৱা তলৰ কথাখিনি মন দি পঢ়া—

"আজি তোমালোকে তোমালোকৰ শিৰত এটা কাঁইটৰ মুকুট ধাৰণ কৰিছা। ক্ষমতা অতি লেতেৰা বস্তু। ক্ষমতাৰ চকীত বহিলে তুমি সদা-সতৰ্ক হৈ থাকিব লাগিব। তোমালোক এতিয়া আৰু বেছি বিনয়ী আৰু ধৈৰ্যশীল হ'ব লাগিব। এতিয়া তোমালোকে নিজকে পৰীক্ষা কৰি চোৱাৰ বাবে কোনো শেষ উদ্দেশ্য নাথাকিব।" — গান্ধী

"ভাৰতে আজি এটা স্বাধীন জীৱন আৰম্ভ কৰিব। আমি পুৰণি ব্যৱস্থাটোৰ পৰা ওলাই আহি নতুন ব্যৱস্থাটোত প্ৰৱেশ কৰিম। আজি আমাৰ দুৰ্ভাগ্যৰ অৱসান ঘটিব আৰু ভাৰতে নিজকে পুনৰাবিষ্কাৰ কৰিব। আমি আজি যি সাফল্য উদ্‌যাপন কৰিছোঁ, সি প্ৰকৃততে সুযোগ-সুবিধাৰ দুৱাৰ মুকলি কৰা এক আৰম্ভণিহে।" — নেহৰু

ওপৰত উল্লেখ কৰা ভাষ্য দুটাৰ পৰা আমাৰ জাতি-গঠন প্ৰক্ৰিয়াৰ কাৰ্যসূচীৰ বিষয়ে ব্যাখ্যা কৰা। ওপৰৰ কোনটো ভাষ্যই তোমাক আকৰ্ষণ কৰে আৰু কিয়?

৬। নেহৰুৱে ভাৰতক ধৰ্ম-নিৰপেক্ষ ৰাষ্ট্ৰ হিচাপে প্ৰতিষ্ঠা কৰাৰ সপক্ষে কি কি যুক্তি আগবঢ়াইছিল? এই যুক্তিসমূহ কেৱল নৈতিক আৰু আৱেগ-সৰ্বস্ব আছিল বুলি তুমি ভাবানে? নে এই যুক্তিসমূহত কিছু বিজ্ঞতাও আছিল?

৭। স্বাধীনতাৰ সময়ত ভাৰতৰ পূব প্ৰান্তত জাতিগঠন প্ৰক্ৰিয়াই সন্মুখীন হোৱা প্ৰতিবন্ধকতাসমূহৰ লগত ভাৰতৰ পশ্চিম প্ৰান্তত জাতি গঠন প্ৰক্ৰিয়াই সন্মুখীন হোৱা অসুবিধাসমূহৰ মাজৰ পাৰ্থক্য নিৰ্ণয় কৰা।

৮। ৰাজ্য পুনৰগঠন আয়োগৰ দায়িত্ব কি আছিল? এই আয়োগৰ মুখ্য পৰামৰ্শটো কি আছিল?

৯। জাতি বুলিলে বহুলাংশে 'এক কল্পনাপ্ৰসূত সম্প্ৰদায়ক বুজায়— যি এক সামূহিক ইতিহাস, বিশ্বাস তথা ৰাজনৈতিক আশা-আকাংক্ষাৰ দ্বাৰা ঐক্যবদ্ধ হৈ থাকে। ভাৰতক জাতি হিচাপে প্ৰতিষ্ঠা কৰা বৈশিষ্ট্যসমূহ আলোচনা কৰা।

১০। তলৰ দফাটো মন দি পঢ়ি প্ৰশ্নসমূহৰ উত্তৰ উলিয়াবৰ চেষ্টা কৰাঃ

"জাতি গঠনৰ ইতিহাসত কেৱল ছোভিয়েট ৰাছিয়াৰ লগতহে ভাৰতৰ জাতি গঠন প্ৰক্ৰিয়াৰ মিল থকা দেখা যায়। ছোভিয়েট ৰাছিয়াতো বিভিন্ন জনগোষ্ঠীয়, ধৰ্মীয় আৰু বিভিন্ন সামাজিক শ্ৰেণীত বিভক্ত জনসাধাৰণৰ মাজত এক তীব্ৰ ঐক্যবোধ সৃষ্টি কৰা হৈছিল। ভৌগোলিক আকাৰ আৰু জনসংখ্যাৰ পৰিমাণ তুলনামূলকভাৱে যথেষ্ট বেছি আছিল। ৰাষ্ট্ৰই যিসমূহ গাঁথনিৰ জৰিয়তে কাম কৰিবলগীয়া হৈছিল সেইবোৰো বৰ সঠিক নাছিল; জনসাধাৰণো কিছুমান বিশ্বাসক কেন্দ্ৰ কৰি বহুবিভক্ত হৈ আছিল। ইয়াৰোপৰি সমাজখন ঋণী আৰু ৰোগগ্ৰস্ত আছিল।" — ৰামচন্দ্ৰ গুহ।

(ক) লেখকে ভাৰতৰ আৰু ৰাছিয়াৰ মাজত দেখা পোৱা সাদৃশ্যখিনি লিখি উলিওৱা আৰু ভাৰতত দেখা সাদৃশ্যসমূহৰ এটাকৈ উদাহৰণ দিয়া।

(খ) লেখকে ভাৰত আৰু ৰাছিয়াৰ জাতিগঠন প্ৰক্ৰিয়াৰ সাদৃশ্যৰ বিষয়ে উল্লেখ কৰিলেও কোনো বৈসাদৃশ্যৰ বিষয়ে উল্লেখ কৰা নাছিল। তুমি দুটা বৈসাদৃশ্যৰ বিষয়ে ক'ব পাৰিবানে?

(গ) এই দুয়োটা আৰ্হিৰ কোনটো বেছি কাৰ্যকৰী আছিল আৰু কিয়?

**আমি একেলগে কৰো আহাঁ**

* ভাৰত বিভাজনৰ ওপৰত ভাৰত আৰু পাকিস্তান বা বাংলাদেশৰ সাহিত্যিকে লিখা এখন উপন্যাস বা এটি গল্প পঢ়া। সীমান্তৰ দুয়োপাৰৰ জনগণই দেশ বিভাজনৰ সময়ত লাভ কৰা অভিজ্ঞতাৰ মাজৰ সাদৃশ্যসমূহ বাছি উলিওৱা।

* 'পুনৰ অনুসন্ধান কৰোঁ আহাঁ'ত সন্নিৱিষ্ট কৰা চুটিগল্পসমূহ সংগ্ৰহ কৰা। এই গল্পসমূহত বৰ্ণনা কৰা কাহিনীসমূহৰ মাজৰ পৰা সাধাৰণ অভিজ্ঞতাসমূহ বাছি উলিয়াই এখন ৱাল পেপাৰ প্ৰস্তুত কৰা। এনে অভিজ্ঞতাসমূহৰ মাজৰ পৰা অদ্বিতীয় অভিজ্ঞতাটোও বাছি উলিৱাই ৱাল পেপাৰত প্ৰকাশ কৰা।

**প্ৰশ্নাৱলী**